# ASSAM LEGISLATIVE ASSEMBLY DEBATES

(5)

सत्यमेव जयते

DP660

## OFFICIAL REPORT

FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

## NO. 1 – 6

The 15th June, 1992. – 24 DEC.

Price— 9.70

# CONTENTS

## BUDGET SESSION

No.— 1

Dated, the 15th June, 1992


| | | Page |
|---|---|---|
| 1. | Announcement From the Chair | 1—2 |
| 2. | Notice of No-Confidence Motion | 2—5 |
| 3. | Resolution for Ratification of the Constitution (Seventy-Sixth Amendment) Bill, 1992 | 5—28 |
| 4. | Call Attention Notice | 28—39 |
| 5. | Matter Under Rule 301 | 39—47 |
| 6. | Obituary References | 47—49 |
| 7. | Adjournment | 50 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Monday, June 15, 1992.

The House met at 9 a.m. of the Clock in the Assembly Chamber, at Dispur, with Shri Giba kanta Gogoi, Speaker in the Chair.

## ANNOUNCEMENT FROM THE CHAIR.

Mr. Speaker : Now the Report of the Business Advisory Committee as under :

Under Rule 230 of the Rules of Procedure and Conduct of Business in the Assam Legislative Assembly, I called a meeting of the Business Advisory Committee on 12th June, 1992 in my Office Chamber at Dispur for finalising the calender for the current Session of the Assembly. The Committee considered the draft calender prepared by the Assembly Secretariat and decided that in addition to the Resolution ratifying the Constitution (Seventy-Sixth Amendment) Bill, 1992 and obituary reference, notices under Rule 54 and 301 etc. of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly will also be taken up.

Copies of the calender for the Session have already been circulated amongst all the Honourable Members of the Assembly.

I hope this has the approval of the House.

(House approved the BAC Report)

Shri zoii Nath Sharma : Mr. Speaker Sir, We have the No Confidence Motion for which we have already given the notice to you.

## NOTICE OF NO-CONFIDENCE MOTION

Mr. Speaker : I have received the Motion under Article 133(4) tabeled by the Honourable Members. Many members of the House want a No-Confidence Motion against the Council of Ministers. I find the Motion is in order. I have the list of members, but I want to see who the Honourable Members who are in support of the Motion. They may please stand up. Now, please read the Motion.

*Shri Prafulla Kumar Mahanta : Mr. Speaker Sir, Now, I like to move the Motion that the House expresses its desire to move the No Confidence Motion against the Council of Minister headed by Shri Hiteswar Saikia.

Mr. Speaker : The Motion is in order. On this motion, leave is granted. For the purpose of fixing the date, I will place the matter before the Business Advisory Committee. After the item 4 is completed, we will sit for half an hour in my chamber.

*Shri Golok Rajbanshi (Minister) : Mr. Speaker Sir, In the case that the House will adjourn sine die, how can we then discuss this matter in the House.

*Shri Promod Gogoi : Mr. Speaker Sir, Under Article

---

* Speech not corrected.

133 (a), it says" the member desiring to move the motion has before the commencement of the sitting of the day, given a written notice to the Secretary of his intention to move the Motion together with a copy of the Motion". Therefore, according to Rule 133, a motion of No-confidence has been moved by more than the requisite number of members. Now, the Honourable Speaker has to take a decision. At this stage, the objection raised by the Minister, Parliamentary affairs does not arise.

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : পইন্ট অৱ অৰ্ডাৰ চাৰ। মই মোচনটো গ্ৰহণ কৰাত আপত্তি কৰা নাই। কিন্তু আজি মাত্ৰ এদিনৰ কাৰণে বিধান সভা বহিছে, আজি বিধান সভা অনিৰ্দিষ্ট কাললৈ স্থগিত ৰাখিব লাগিব। তাৰ পিছত কেতিয়া বহে ঠিক কৰিব লাগিব।

* শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে কোৱা কথাটো ঠিক নহয়। আলোচনা কেতিয়া কৰা হব সেইটো বি-এ-চি য়ে ঠিক কৰিব পাৰে।

* Shri Golok Rajbanshi (Minister) : Mr. Speaker Sir, The Assembly will sit for one day only.

* শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, সংসদী মন্ত্ৰীয়ে সদনত বাৰে বাৰে ভুল ব্যাখ্যা দি আছে। এদিনৰ কাৰণে বিধান সভা আহ্বান কৰিছিল যদিও পৰিস্থিতি আৰু পৰিবেশৰ কাৰণে কাৰ্য্যকাল বৃদ্ধি কৰাত আইনগত কোনো বাধা নাই, যিহেতু বিশেষ পৰিস্থিতিৰ সন্মুখীন হৈছে। এই অনাস্থা প্ৰস্তাৱ বিধান সভাত উত্থাপিত হৈছে যেতিয়া তাৰ পিছত কি ধৰণে আলোচনা কৰা হ'ব সেইটো বি-এ-চি য়ে মিটিঙত আলোচনা কৰি সিদ্ধান্ত লব।

* Shri Pramode Gogoi : Mr. Speaker Sir, According to Article 133(3), if the Speaker is of opinion that the motion is in order, he shall read the motion to the

---

* Speech not corrected.

Assembly and shall request those members who are in favour of leave being granted to rise in their places and, if not less than on tenth of the total number of members of the House rise accordingly.

* শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, সংসদী পৰিক্ৰমা মন্ত্ৰীয়ে আপত্তি কৰাৰ কোনো কথা নাই। গতিকে তেখেতে অনা পইণ্ট অৱ অৰ্ডাৰ এই ক্ষেত্ৰত প্ৰযোজ্য নহয়।

মাননীয় অধ্যক্ষ : ইয়াত গৱৰ্ণৰৰ অৰ্ডাৰ যিটো তাত লিখিছে :

The Governor has summoned the Assembly to meet at 9 A.M. on Monday the 15th June, 1992 in the Assembly Chamber. While the Governor summons the Assembly, the Business Advisory Committee decides its various norms of function. I have accordingly called the meeting of the Business Advisory Committee and the Committee will decide about it in its meeting.

Now, I have received one Adjournment Motion moved by Shri H. Goswami on the incident at Lumding. Unless beforehand a notice for such a motion is given and it is admitted how it can be moved. I therefore reject the Adjournment Motion moved by Shri Goswami.

A notice for zero Hour is given by Dewan Jaynal Abedin. Generally the zero comes immediately after the Questions Hour. There is no question Hour to-day and hence there cannot be a zero Hour as well. It is therefore rejected.

I have received one notice for a Breach of Privilege from

* Speech not corrected.

Shri P.K. Mahanta which I also like to reject.

* Shri zoii Nath sarma : Sir, the reasons for rejection of this Breach of Privilege Motion may kindly be made known to the House.

Mr. Speaker : A Minister can give some information to the House in good faith and then again he can rectify it also.

* Shri Golok Chandra Rajbangshi (Minister) : Mr. Speaker Sir, I have already raised a Point of Order and raise it again. The reason has been already given by the Honourable Speaker. That is a report given by the staff reporter.

## RESOLUTION FOR RATIFICATION OF THE CONSTITUTION (SEVENTY-SIXTH AMENDMENT) BILL, 1992.

Shri Hiteswar Saikia (Chief Minister) : Mr. Speaker Sir, I beg to move "That this House ratifies the amendment to the Constitution of India falling within the purview of Clause (a) of the provise to Clause (2) of Article 368 thereof, proposed to be made by the Constitution (Seventy Sixth Amendment) Bill, 1992 as passed by the Houses of Parliament:

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, দিল্লী আৰু পণ্ডিচেৰী এই দুখন কেন্দ্ৰীয় শাসিত ৰাজ্যৰ পৰা ৰাজ্যসভালৈ সদস্য নিৰ্বাচিত কৰা হয়। আৰু এই দুখন ৰাজ্যৰ পৰা সদস্যসকলক ৰাষ্ট্ৰপতি নিৰ্বাচনত ভাগ লবৰ

* Speech not corrected.

অধিকাৰ দিয়াত কোনো দ্বিমত থাকিব নোৱাৰে। কিন্তু প্ৰশ্ন উঠে বৰ্ত্তমান ভাৰতত থকা সাতোখন কেন্দ্ৰীয় শাসিত ৰাজ্যৰ প্ৰতিনিধি গণভোটৰ দ্বাৰা নিৰ্বাচিত কৰা হয়। কিন্তু এতিয়া প্ৰশ্ন উঠে বাকী পাচখন অঞ্চলক লোক-সভাৰ প্ৰতিনিধি থকা সত্বেও কিয় তেনে অধিকাৰ দিবলৈ নিবিচাৰি কেৱল দুখনক বিশেষ অধিকাৰ দিবলৈ বিচৰা হৈছে। ১৯৯১ চনৰ লোকপিয়লৰ প্ৰতিবেদন মতে আণ্ডামান নিকোবৰ দীপপুঞ্জৰ জনসংখ্যা হ'ল দুইলাখ সাতসত্তৰ হাজাৰ নশ উননবৈ, চণ্ডীগড়ৰ ছয় লাখ ছয় হাজাৰ সাতশ পচিশ, দাদৰা নগৰ হাভেলীৰ একলাখ আঠত্ৰিশ হাজাৰ পাচশ বিয়াল্লিশ, ডমন ডিউৰ এক লাখ এক হাজাৰ চাৰিশ উনচল্লিশ, দিল্লীৰ ন নিযুত সাতত্ৰিশ লাখ চাৰিশ পয়সত্তৰ, লাক্ষাদ্বীপৰ একাৱন্ন হাজাৰ ছয়শ একাশী আৰু পণ্ডিচেৰীৰ হ'ল সাতলাখ উনানব্বৈ হাজাৰ চাৰিশ যোল্ল জন। এতিয়া প্ৰশ্ন হৈছে যে বাকী পাচ খনক কিয় সাংবিধানিক অধিকাৰৰ পৰা বঞ্চিত কৰা হ'ল। দিল্লী আৰু পণ্ডিচেৰীক এই ক্ষমতা দিয়াত আপত্তি নাই। কিন্তু বাকী পাচখন অঞ্চলক কিয় বঞ্চিত কৰা হ'ল? ইয়াৰ উত্তৰ কেন্দ্ৰীয় চৰকাৰেও স্পষ্টভাৱে দিব পৰা নাই। কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভিতৰতে কিয় অবিবেকী বৰ্গীকৰণ কৰা হ'ল? এইটো এটা প্ৰশ্নৰ বিষয়। এইটো সত্য যে দিল্লী আৰু পণ্ডিচেৰী এই দুটা অঞ্চলত বাকী পাচটা অঞ্চলতকৈ জনসংখ্যা বেছি। কিন্তু সেই কাৰণেই যে অধিক ক্ষমতা দিয়া হব আৰু কম হলেই যে কম ক্ষমতা দিয়া হব এইটো বিচাৰ্য্যৰ বিষয়। কিন্তু মিজোৰাম আৰু চিকিমত ৮'৮৬ লাখ আৰু ৪'৯৩ লাখ হোৱা সত্বেও পূৰ্ণ পৰ্য্যায়ৰ মৰ্য্যদা দিয়া হৈছে। কিন্তু চণ্ডীগড়ত ৬'৪০ লাখ লোক থকা সত্বেও কিয় তাত এতিয়াও কেন্দ্ৰীয় শাসিত অঞ্চল কৰি ৰাখিব বিচৰা হৈছে আৰু পুৰ্ণাঙ্গ ৰাজ্যৰ মৰ্য্যদা দিয়া হোৱা নাই। এইটো কি কাৰণত কৰা হ'ল? নিশ্চয় ৰাজনৈতিক মুনাফা আদায়ৰ কাৰণেই কৰা হৈছে। ভাৰতবৰ্ষৰ ৰাজধানী কাৰণে গুৰুত্ব দিয়া হ'ল নেকি আৰু পণ্ডিচেৰীও জনসংখ্যা বেছি কাৰণে কৰা হ'ল। ১৯৫২ চনৰ ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতি নিৰ্বাচন বিধি আৰু সংবিধানৰ দফা ৭১ (৩)ৰ অধীনত সদনত এই সন্দৰ্ভত যথোচিত অধিকাৰ থাকিলেও এই সকলো বিলাক ব্যৱস্থা সংবিধানৰ অন্য ব্যৱস্থাৰ লগত সংগতি ৰাখি নিয়ন্ত্ৰণ কৰিব পৰা যায়। ইয়াত মন কৰিব লগীয়া কথা যে সংবিধানৰ অনুচ্ছেদ ১ (২) আৰু ১(৩)ত পুৰ্ণ ৰাজ্যৰ চাৰি

সীমাৰ ভিতৰত থকা ভূমি খণ্ড আৰু কেন্দ্ৰীয় শাসিত ৰাজ্যৰ চাৰি সীমাৰ অন্তৰ্ভুক্ত ভূমি খণ্ডৰ উল্লেখ স্পষ্ট ভাবে আতৰাই দেখুওৱা হৈছে এই ক্ষেত্ৰত সংবিধানৰ প্ৰথম অনুসূচীও দ্ৰষ্টব্য ।

ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত সকলো নাগৰিকৰে সমান অধিকাৰ থকাটো পুথিগত তথ্য নহৈ প্ৰাকৃতিক বা ব্যৱহাৰিক দিশতো ইয়াক পুৰ্ণ মৰ্যদা দিব লাগে। দিল্লী আৰু পণ্ডীচেৰীৰ নাগৰিকৰ ধমনীত কিবা নীলা ৰঙৰ তেজ প্ৰবাহিত হয় নেকি ? মাথো ৰাজনৈতিক লাভা লাভৰ গণিতৰ ভিত্তিতেই এখন কেন্দ্ৰীয় শাসিত অঞ্চলক আন এখনতকৈ পূৰ্বাধিকাৰ দিয়াটো মাত্ৰ পূৰ্বাগ্ৰহ বুলি কব লাগিব । আই, এম, ডি, টি ১৯৮৩ এক্টৰ অধীনত যেনেকৈ অসমবাসী ভাৰতীয় নাগৰিকক আনৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলৰ নাগৰিকতকৈ অৱৰ শ্ৰেণীৰ বুলি বিধিগত ভাৱে হেয় প্ৰতিপন্ন কৰা হ'ল এই অনুচিত বৰ্গীকৰণে এখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ নাগৰিকক আন এখনৰ নাগৰিকৰ সীমিত অধিকাৰৰ নাগৰিক বুলি স্থায়ী ভাবে বৰ্গীকৰণ কৰি ভৱিষ্যত অসন্তোষৰ বীজ ৰোপন কৰা হ'ল ।

মাননীয় অধ্যক্ষ মহোদয়, আজি কেন্দ্ৰীয় চৰকাৰে ৭ খন কেন্দ্ৰীয় শাসিত ৰাজ্য অঞ্চলৰ ভিতৰত দুখনক বিশেষ ক্ষমতা দিবলৈ বিচাৰিছে আৰু বাকী ৫ খনক এই ক্ষমতাৰ পৰা বঞ্চিত কৰিবলৈ বিচাৰিছে। আজি মনোনিত ৰাজ্য সভাৰ সাংসদ ১২ জন আৰু লোকসভাৰ এংলো ইণ্ডিয়ান সম্প্ৰদায়ৰ দুজন মনোনিত সদস্যই ৰাষ্ট্ৰপতিৰ নিৰ্ব্বাচনত মতদান কৰিব নোৱাৰা কথাটো বিধি-সিক্ত বা যুক্তিসন্মত কিয়নো তেওঁলোকক কোনো ভাৰতীয় নাগৰিকে প্ৰত্যক্ষ-ভাবে প্ৰতিনিধি নিৰ্বাচন কৰি পঠোৱা নাই। আজি ৫ খন ৰাজ্যৰ প্ৰতিনিধি কি কাৰণে তেওঁলোকৰ গণতান্ত্ৰিক অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছে ? ইয়াৰ এটা স্পষ্ট উত্তৰ কেন্দ্ৰীয় চৰকাৰে দিব পৰা নাই । এই বৈষম্যমূলক আচৰণ কি কাৰণে কৰা হৈছে । বৰ্ত্তমানৰ প্ৰস্তাৱিত ৭৬ তম সংবিধান সংশোধনৰ নিচিনা এটা গাম্ভীৰ্যপুৰ্ণ বিষয়ত কেন্দ্ৰীয় চৰকাৰৰ অস্থিৰ চিন্তাধাৰাৰ নমুনা দিয়া হৈছে। তাকো কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰশাসনৰ নিচিনা এটা আপেক্ষিক ভাৱে উজু বিষয়ত দেখুৱা এটা চৰম অদুৰদৰ্শিতা বুলি কব পাৰি । যোৱা ২১-১২-৯১ তাৰিখে সংবিধান সংশোধন কৰি অনুচ্ছেদ ২৩৯

প্ৰত্যাৰোপনৰ মাত্ৰ ১০০ দিনৰ ভিতৰতে অৰ্থাৎ ৩-৪-৯২ তাৰিখে আকৌ সংবিধান সংশোধন কৰাৰ প্ৰস্তাৱ উত্থাপন কৰিব লগা হৈছে। এইটো গৃহীত হৈছে বা ইয়াৰ আৱশ্যক হৈছে। একেটা শাসনাধিষ্ঠ দলৰ ২১-৬-৯১ তাৰিখৰ পৰা চলি অহা এখন তথাকথিত সুস্থিৰ চৰকাৰখনে এই বিষয়ে পুৰ্ব্বানুমান কৰিব নোৱাৰাটো ৰাজনৈতিক চিন্তা-চৰ্চাৰ বাবে অতি চিন্তাৰ বিষয়। অৱশ্যে ভাৰতবৰ্ষৰ বিভিন্ন সংগঠনেই হওক বা গণতান্ত্রিক যিকোনো দল বা বিভিন্ন ৰাজনৈতিক দলেই অৱশ্যে ভাৰতৰ সংবিধানৰ কিছুমান মৌলিক অধিকাৰ সংশোধনীৰ বাবে দাবী কৰিব পাৰে। ২৩৯ (ক) অনুচ্ছেদ গ্ৰহণৰ সময়ত দিল্লীৰ নেতৃবৰ্গই এই বিষয়ে চিন্তা কৰিব নোৱাৰাটো চিন্তনীয় বিষয়। পুনৰ ১০০ দিনৰ ভিতৰতে আকৌ সংবিধান সংশোধনীৰ ব্যৱস্থা হাতত লব লগা হৈছে। যি সংশোধনত সংসদৰ দুয়োটা সদন আৰু ৰাজ্যিক বিধান পৰিষদৰ আধাতকৈও অধিক ইয়াত সন্মতি জনোৱাটো অপৰিহাৰ্য্য বিধেয় বুলি সংবিধানে মানি লৈছে। দুখৰ কথা যে ৰাষ্ট্ৰপতি নিৰ্ব্বাচনৰ নিচিনা গম্ভীৰ বিষয় এটাক লৈ মাত্ৰ ৩ মাহৰ পিচতে পুনৰ সংবিধান সংশোধন কৰিবলৈ ওলোৱাটো সুস্থিৰ চিন্তাৰ বিষয় নহয় বুলি ভাবো। ই এক তৰল চিন্তা শক্তিৰ নমুনা। সংবিধান সংশোধনী কাৰোবাৰ বাবে শিলৰ ৰেখাৰ দৰে অচলা আৰু কাৰোবাৰ বাবে কচুপাতৰ পানীৰ লেখীয়া চঞ্চলা এইটো কেতিয়াও হব নেলাগে। আজি দিল্লী আৰু পণ্ডিচেৰীক সুবিধা দিব বিচৰা হৈছে এই সংশোধনীৰ দ্বাৰা। আনহাতে আন ৫ খন কেন্দ্ৰীয় শাসিত অঞ্চলে কি ভুল কৰিলে ? তেওঁলোকক কিয় সম মৰ্য্যাদা দিয়া নহল ? তাৰ উত্তৰ কেন্দ্ৰীয় চৰকাৰে দিব পাৰিবনে ? বা কেন্দ্ৰীয় চৰকাৰৰ লগত একেলগে কাম কৰা ৰাজ্য চৰকাৰে দিব পাৰিবনে ? সেয়ে মই আশা কৰো যে বাকী কেইখন ৰাজ্যয়ো সম-মৰ্য্যদা লাভ কৰক। যাৰ জৰিয়তে সেই কেইখন ৰাজ্যৰ জনসাধাৰণেও সমান অধিকাৰ লাভ কৰিব। এই সংবিধান সংশোধনী প্ৰস্তাৱত আমাৰ সমৰ্থন আছে। আমি আটাই কেইখন ৰাজ্যকে সম-মৰ্যাদা দিব লাগে বুলি আশা কৰিলো আৰু এই বিষয়ে কেন্দ্ৰীয় চৰকাৰে পুনৰ চিন্তা কৰিলে ভাল হয়।

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, আজি নতুন দিল্লী আৰু পণ্ডিচেৰীৰ প্ৰতিনিধি সকলক ভাৰতৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত অংশ গ্ৰহণ

* Speech not corrected.

কৰাৰ কাৰণে যি সংবিধান সংশোধনী প্ৰস্তাৱ আনিছে তাত আমাৰ দ্বিমত নাই। এই কাৰণেই যে আমাৰ ভাৰতবৰ্ষ দেশখনৰ কোনো এটা অঞ্চলক তেওঁলোকৰ গণতান্ত্ৰিক অধিকাৰ দিয়া হৈছে ইয়াত আমাৰ দ্বিমত নাই। কিন্তু শ্ৰীমহন্ত ডাঙৰীয়াই কৈছে যে ভাৰতবৰ্ষৰ কেন্দ্ৰীয় শাসিত আন আন যিবোৰ অঞ্চল আছে তাকো ইয়াত সামৰি লোৱা হলে ই অধিক ভাল হলহেতেন, আৰু এইটো হোৱা প্ৰয়োজন আছিল। মই এটা কথা সদনত কৰ খুজিছো ভাৰতবৰ্ষত গণতন্ত্ৰৰ যিটো অৱস্থা সেইটো ৰূপায়িত হওক বুলি মই ভাবিছো। কিন্তু আজি দিল্লী আৰু পণ্ডিচেৰীক ৰেট্ৰোস্পেকটিভ এফেক্ট যিটো দিব বিচৰা হৈছে সেই ক্ষেত্ৰত এই সংবিধান সংশোধনী এক ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত বুলি মই কবলৈ বাধ্য হৈছো। দিল্লী আৰু পণ্ডিচেৰীৰ লোকে ভোট দিয়ক এইটো আমি সমৰ্থন কৰিম— কিন্তু বাকী কেইখন কেন্দ্ৰীয় শাসিত অঞ্চল বাদ দি কিয় বিশেষকৈ দিল্লী আৰু পণ্ডিচেৰীক ৰেট্ৰোস্পেক্টিভ এফেক্টৰ দ্বাৰা আজি ভোট দিয়াৰ ব্যৱস্থা কৰিলে? এই সমগ্ৰ সংবিধান সংশোধনী প্ৰক্ৰিয়াটো এটা ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত বুলি ভাবো। ভাৰত চৰকাৰৰ আইন মন্ত্ৰীয়ে এই সংবিধান সংশোধনীৰ ক্ষেত্ৰত এটা কথা কৈছে........ It was introduced as the Constitution 69th Amendment Act, 1991, which received assent of the President of India on 21st December, 1991. The said Bill was originally introduced in the Lok Sabha on 29.11.91 under Sub-clause B, of Clause 7 under Article 239 (A) which provides the Legislative Assemblies or Councils for ratification by not less than half of the total strength of the House, in the Union Territory of Delhi. The said Sub-Clause is in the present constitution Amendment Bill with retrospective affect from 21st Dec., '92.'

এতিয়া আপুনি এটা কথা বিচাৰ কৰি চাওক— এই যিটো ব্যৱস্থা কৰা হৈছে ক্লজ ২৩৯ ইনকৰপোৰেট কৰা হৈছে এইটো পইন্ট দিছিল। ৰাষ্ট্ৰপতিলৈ বিল পঠোৱা হৈছে। আইন মন্ত্ৰীয়ে এই কথা পৰিস্কাৰ কৰি কৈছে যে দিল্লীৰ ক্ষেত্ৰত আমি ৰাজ্য কৰিব লগা হলে গোটেই ভাৰতবৰ্ষৰ শতকৰা ৫০ ভাগ

বা ইয়াতকৈ বেছি ৰাজ্যৰ লোকে সন্মতি জনালেহে দিল্লীক ৰাজ্য কৰিব পৰা হ'ব। গতিকে দিল্লীক ষ্টেট কৰিবলৈ হলে দেবি হ'ব। এই ব্যৱস্থা আন্তৰোৱাৰ কাৰণে স্পেচিয়েল ৰেট্ৰচপেকটিভ এমেনমেণ্ট আনিছে ২১/১২/৯১ তাৰিখত। ভাৰতবৰ্ষৰ 'ৰেট্ৰচপেকটিভ এফেক্ট' কৰিবৰ কাৰণে ষ্টেটৰ পাৰমিচন লওতে দি'লে ফৰি স্পেচিয়েল ক্লজ আনিব লগীয়া হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানে যে ভাৰতবৰ্ষ মোৰ পাৱাৰ ট দি ষ্টেট' আজি ৰেট্ৰচপেকটিভ এমেনমেণ্ট আনিব লগীয়া হৈছে। গতিকে দিল্লীৰ ইমপৰটেন্স আছে সেইটো কৰিব লাগিব। ভাৰতবৰ্ষ এখন ডেমক্ৰেটিক কানট্ৰি' In a Republic Country there is the procedure. Head of the State Should be elected by the representative of the people গতিকে আজি ৰিপ্ৰেজেনটেটিভ হব লাগে তেতিয়াহলে ইলেকটেট হব লাগে। ভাৰতবৰ্ষত সকলো মানুহৰ সমানে ক্ষমতা থাকিব লাগে। দিল্লীৰ মানুহ বিলাক বেচি পঢ়া-শুনা, তাত গোটেই বিলাক আছে। চন্দীগড় বা কেন্দ্ৰীয় শাসিত যি কেইখন ৰাজ্য আছে সেই মানুহখিনি মানুহৰ শাৰীত নাই নেকি? তেওঁলোক চিটিজেন নহয় নেকি? আজি ভাৰতবৰ্ষত সংবিধান আছে নে নাই? আজি দুখন চিটিজেন মানুহ আছে নেকি? চন্দীগড় ২ নম্বৰ আৰু দিল্লী ১নম্বৰ নেকি? মই এটা কথা কবলৈ বিচাৰিছো যে আজি বহুতো মানুহৰ মৃত্যু হৈছে। বাহিৰৰ পৰা বহুতো বিদেশী নাগৰিক আহি আছে। তেনেকৈ অসমত বহুতো সমস্য সৃষ্টি হৈছে, কাৰ্বি আংলংৰ সমস্যা বড়ো সমস্যা, আলফাৰ সমস্যা চলি আছে। এই বিলাকত কিন্তু দিল্লীৰ কাণ-সাৰ নাই। বিদেশী নাগৰিকৰ নামত আন্দোলন কৰা সকলৰ তেজেৰে নৈ বৈ গৈছিল তথাপিও দিল্লীৰ গা-নলৰে। কিন্তু দিল্লীক ৰাজ্যৰ মৰ্য্যাদা দিব লাগে। প্ৰেচিডেনচিয়েল ইলেকচনত ভোট দিব লাগে। তাত আমাৰ আপত্তি নাই কিন্তু উদ্দেশ্য প্ৰণোদিত ভাৱে ৰাজনৈতিক স্বাৰ্থ পুৰণৰ বাবে সংবিধান সংশোধন কৰিব লগীয়া হৈছে। নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে সংবিধানক লৈ হেতালি খেলিব নেলাগে। সেই কাৰণে আজি আমি কবলৈ বাধ্য হৈছে দিল্লীয়ে আমাক শোষণ কৰিছে। মুখ্যমন্ত্ৰী মহোদয়ে কলে বেয়া পাব যে তেখেতে কৈছে যে বিধান সভাত শোষণ কৰা কথা কব নেলাগে। আজি মই এটা কথা স্পষ্ট ভাৱে

জনাব বিচাৰিছো যে যি তিনিখন ষ্টেট লিষ্ট, কনকাৰেন লিষ্ট, আৰু চেণ্ট্ৰেল লিষ্ট আছে সেই কেইখন সংশোধন কিয় নকৰে। ভাৰতবৰ্ষই আজি তেওঁ-লোকৰ মুনাফা আদায় কৰাৰ কাৰণেহে কাম কৰিব নেকি?

মাননীয় অধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ সংবিধান সংশোধন কৰিবলৈ যাওঁতে ভাৰতবৰ্ষৰ চুকে কোনে থকা সকলো নাগৰিকৰ যাতে স্বাৰ্থ পুৰণ হয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। নহলে দিল্লীৰ প্ৰতি মানুহ বিদ্ৰোহী হৈ যাব। দিল্লীয়ে সেইন ক্লজটো দ্ৰপ কৰিছে। দিল্লীয়ে আমাক আজিহে যে শোষণ কৰিছে সেইটো নহয়, সেই তাহানিৰে অৰ্জুনৰ দিনৰে পৰাই দিল্লীয়ে আমাক শোষণ কৰি আছে। এই ৰিজইনমেণ্টটো মই সমৰ্থন কৰিছো বহুতো দুখেৰে।

* Shri Giasuddin Ahmed : Mr. Speaker Sir, I support this Resolution for ratification of the amendment of the constitution of India falling within the purview of Clause (a) of the proviso to Clause (2) of Article 368 thereof, proposed to be made by the Constitution (Seventy-Sixth Amendment) Bill, 1992.

Sir, while supporting this Resolution I would like to make a few observations. This Amendment is the out-come of the Report of the Balakrishnan Committee which was appointed by the Government of India regarding some Union territories of the Delhi set up. In this connection, I would like to submit that Government of India is functioning in a very piecemeal manner to include the Union territories within the Electoral College for election of the President of India is a very vital question and a comprehensive decision ought to have been taken by the Government and the Parliament also to include those Union Territories within the Electoral College but they have not done it. One of the major conditions for Inclusion within the Electoral College is that the Union Territory must have elected Legislative Assembly, this is true, but if all

* Speech not corrected.

the union territories are provided with an elected Legislative Assembly and if they could have been included within the Electoral College for election of the President of India, that would have been better, but this is not done.

So, I would like to suggest that this Assembly of ours pass an opinion rather we should adopt a resolution unenimously to the effect that the Government of India be urged to take steps for inclusion of all the Union Territories within the Electoral Colleges by further amendment of the Constitution of India. That should be done in all the Union Territories. We have different kinds of administrative units. There are different categories of States. I would suggest in this connection that this classification of administrative units into different categories is not democratic at all. First class— Second class— Third class – all these classifications are rather undemocratic. It will not help in the integration of the country. Some units are getting more rights while others are being given less rights and this type of discrimination will not do and any other matter in this connection, I would like to suggest, regarding membership of the Parliament- House of the People that even is also discriminatory. Uttar Pradesh is the biggest state in the country having the biggest number of re-presentatives in the House of the people giving them a dominant position to dominate the country for ever. Amendment of the Constitution should be effected immediately to confer equal re-presentation to all the states irrespective of their population. If the State of Uttar

Pradesh have any objection to it, let the state be divided into smaller states and there is demand also for bifurcation of the state of Uttar Pradesh. We are of the view that all the states should be given equal representation in the House of the people and with this observation the House should adopt a resolution and when we ratify this resolution for amendment of the Constitution we should make an unanimous observation as I suggested. Thank You.

*Shri Holiram Terang: Sir, I have put an amendment. I should be allowed to move the amendment.

Mr Speaker: I have received one amendment from Honourable Member Shri Holiram Terang and Shri Parameswar Brahma. As this is a central matter, so it does not come within the purview of state legislature. So we cannot amend it and so, I have rejected. But Honourable member can participate in the discussion.

*Shri Holiram Terang: Sir, I have not been able to comprehend how it can be rejected because the matter has been brought to the House under specific rule of the Rules of Procedure and conduct of Business i. e. resolution. Sir I read the calendar circulated by the Assembly Secretariat which says on Monday the 15.6.92 number one item is resolution for ratification of the Constitution. So, it is a resolution. So, if it is a resolution any member avail of his right. Next thing Sir, we cannot amend the Bill. It is the Parliament Lok Sabha who can amend the Bill. But we have the

---

* Speech not corrected.

right to either support or oppose it. Thats all, I am bringing this amendment to the resolution moved by the Chief Minister. I am not bringing amendment to the Bill.

Mr. Speaker : This resolution is sent to all the States, it is set resolutions. We are to ratify it or not. But we cannot amend it. 50% of the States are to ratify it. But this is not a resolution of the Chief Minister. So far amendment part is concerned we can only participate in it.

* Shri Holiram Terang : Sir, since it is a resolution moved by Chief Minister, I am saying it is a Government resolution. It can be moved by any member also. Rule 123 clearly says that after a resolution has been moved, any member may, subject to all the rules relating to resolutions, move an amendment to such resolution. Sir, I have already given a copy of the amendment to the mover of the amendment, the secretary and also a copy to you. Now, Sir, normally 24 hours is required before date is fixed for discussion but nor Sir, the resolution has been moved today and you have allowed for dsscussion today itself. So we have no other way but to move for amendment today. That is why in our petition to you have clearly written. Rule 124 says that if a copy of such amendment has not been sent to the Secretary one clear day before the day fixed for the discussion of the resolution, any member may object to the moving of the amendment and such objection shall prevail unless

---

*Speech not corrected.

the Speaker in his discretion allows the amendment to be moved. I would like to know whether we will be allowed to move.

Mr. Speaker : No. Rule 123 say clearly. As this is a central matter. We cannot amend it, we can discuss only and you cannot move for amendment.

*Shri Holiram Terang : Mr. Speaker Sir Now, in the series of discussions this Bill has already been supported by the Honourable Members here. I also support this Bill. Also I support the entire people of Delhi and Pondicherry that they would be able to exercise their franchise for election of the President. Now many members in the Parliament and also in Lok Sabha have already pointed out that before giving effect to this Bill, the people of Andaman Nicobor should also be given the equal status so that they can also vote for election of the President. Now, I urge that before the Bill is accepted the Government should bring another Bill by which it will create Legislative Assembly for Andaman Nicobor. But the main point is that there is an Electoral College and the members of which will elect the President of India. The members of Lok Sabha and the members of Parliament and the State Assemblies if at all given the privilege or power to vote for the President and so also is given to the people of Union Territory of Delhi and Pondicherry, why this type of power and equity of rights cannot be given to different other territories. Then why this particular area of Delhi

* Speech not corrected.

cannot be upgradded to a State. Now, without upgradding this particular area to State, the Union Government has sought to give powers of Statehood through a back door policy. We are opposing the policy of giving the powers of State without creating States through back door policy, because we feel that there is a big conspiracy against the genuine aspirations of those people who are opposing it. The Boros and many other nationalities or tribes in India, in Bihar and U. P. and also Assam. We missed the bus when first organisation was caused. When second organisation in effected, our demands have been left out. But we thought that the Parliament in India is the representatives of the people of India and we thought it would give equal status so that we can participate in the affairs of the State. So all the union territories of India should be given equal rights and privilege. If the Government says that there will be no creation of States, the process be at all stopped. Then why they are giving the power of the States, privilege of the States to the Union Territories of Pondicherry and Delhi. I urge upon the Government to take open policy, that we also should be given equal status of the kind of Union Territories, of the kind of areas which are now given special status. Why this back door policy. I have termed this as conspiracy that it is this policy by which Government of India has been denying the rights of Karbi Anglong, the rights of Boros because they are small in number. Now I would like to point out that it should be or it may be an warning to the Government

of India. Just because a particular tribe or communities or nationalities not more in number it should not be denied the people's status. I would like to adjust for example, Vietnam was a very small country under U. S. A. So many bombs exploded, so many aircrafts operated, so many army men killed, so many money has been spent, but they could not be suppressed. Ultimately they won. My point is that though the Karbis, Boros and other tribes be very small in number should not be denied their rights. If that is the policy I would warn that if we are at all treated as equal citizen of the country we should have been equally given the status and privilege and this kind of rights should not be denied and that this kind of giving powers of the State without creating State through back door policy, it would have far reaching effect. With this I conclude.

* Shri Parameswar Brahma : Mr. Speaker Sir, I do not oppose the ratification of the Bill, but I oppose the main policy by which the Union Government has taken a step to give the right of State without creating a State for the nationalities of Union Territories of Pondicherry and Delhi. This is a welcome news for the people of Delhi and Pondicherry but it is a frustrating news for the remaining Union Territories, who have been denied their rights for pretty reasons particularly for the hills tribes. The question is the Indian Union is a republic having single citizenship having equal status as citizens of Delhi

* Speech not corrected.

and Pondicherry. I do not see any reason why the people having same citizenship living in other Union Territories should not be treated equally. If the Indian Union has taken the proposition for those particular areas only it is not justified. By this action of the Indian Union justice has been turned to a mockery in the Constitution of India. Now, Sir, Union Government could have take a policy for amending certain provision of the Constitution considering necessity in this time, we would have more pleasure if the Government of India have created a new State of Delhi and the Union Territory of Pondicherry would have been upgradded to Statehood. I cannot see any reason why they could not create new State. Now, Sir, populatian should not be taken as quiet in this respect though small in number. In India there is no double citizenship where some citizens would enjoy some right and Privilege and others denied. I should be happy to welcome this decision or this motion of the Government of India for the people of Pondicherry and the people of Delhi have been given the right to exercise franchise or vote for electing the highest office of the country. Now, by this amendment it would have been added as because there has been persistant demand, a long standing demand for creation of Boro Land and creation of autonomus State. But it is not considered..........................

It is not considered and Government have not been able to take any policy in respect to the long standing

demand and I feel that in this Session, the Government of India be urged upon to take a clear cut policy for bringing amendment to create a separate state of Bodo-Land for the interest of the people of Assam in general and autonomous state. Now Sir, in solving the Bodoland and Karbi issue, an absurd condition has been put that it has been stated to be a matter of majority and minority. This is not the question, but this is a puestion of legitimacy, justice and interest. The trible people particularly Bodos who have been living in different parts of the State particularly in the Bodo dominated areas where they are concentrated more than 50% of Bodo people and other tribal people but they have been made minority by the deliberate process and the Government policy, the people in their own land have been made minority they are made scattered and by politicalising this issue, the State Government and the Central Government are also putting this absurd question to solve the problem. They should not have considared the question of majority and minority. This is the question of genuineness, Bodoland should be created, autonomous state should be created for the interest of the people of Assam and for the people of Bodoland as a whole. I would like to request all members and parties and the House as a whole that this Government of India and also the Government of Assam should move and urge to take the right way to solve the longstanding Bodo Land demand and this autonomous state demand and I hope that this problem would be

solved with the pragmatic approach of the different political parties and the thinkable persons of the State. In supporting the ratification, I want to conclude but I oppose the backdoor policy the citizen of certain areas are honoured and others are denied. It is not good. This is against the preamble of the constitution, and also effective justice to the citizens of the country as a whole. Thank you, Sir.

Honourable Speaker : It is the question of ratification only. माननीय় সদস্য সকলক কমকৈ কৰলৈ অনুৰোধ কৰিছো । বিষয়ৰ পৰা আতৰি নাযাবলৈ অনুৰোধ কৰিলো ?

Now Mr. Joynal Abedin to speak.

* Dewan Joynal Abedin : Mr. Speaker Sir, I take my stand to support the 76th Constitution Amendment which needs ratification of more and more of the States of India. Now Sir, this is healthy democratic practice that for such upgradation of an Union Territory, the consent for the ratification of a State Legislature is required. Now it is an instance of a kind of confidence, a kind of being Indian in the minds of the people of the various states of the Country. Now Sir, where some of our friends have expressed idea that while upgradin these two Union Territories, the National Capital of Delhi and the Union Territory of Pondicherry and the others of such territories have been left out. Why the same power, same amenities, could not be extended to other Union Territories ? Now Sir, while it is good that some powers have been given to the people of these two Union Territories, but at the

* Speech not corrected.

same time, it is a fact that some others have been excluded because there are some reasons of politics here also because so far as I know, while the inclusion of particularly Delhi was amongst the demands of the Elections Manifesto of a particular polilical party. Now it is a fact that Central Authorities of Delhi are coming to some compromise to this particular politcal party by bringing about this particular amendment.

I would like to make few observations: I am not a lawyer nor am I a Constitution expert. While certain comments relating to the relevant sections of the Constitution, I find some apprehensions now. Here one thing that in Article 368 – there is Sub-Clause 3 and 4. These two says— 'Nothing in Article 13 shall apply to any amendment made under this article. 'and the Sub- Clause 4 says— No amendment of the Constitution made or purporting to have been made under these article shall be called in question in any court on any ground. Now this amendment under this article shall not be called in question in any court on any ground. So this is the reason why we should be very cautions in bringing up of any amendment under this section of the Constitution. Now Sir, again here, this Article 13 Sub clause 4 says that nothing in this article shall apply to any amendment of this constitution made under Article 368. Here, an explanation in the term of law under Article 368 is unambiguous where as Article 13 is ambiguous because of the fact that the word law may or may not include constitutional amendment. Hence, law in article 13 (2) must be

construed as referring to the exercise of any ordinary legislative power. Now Sir, while I refer to this observation, there are some grounds of apprehension that some of the laws in existance in these Union Territories prior to their achieement of Statehood may come in consistence with certain sections of the constitution and in that case, what would be the fate. In some cases while making reference somet:me it effects the fundamental rights also and in such cases, we should be very much careful Sir, with these few observation, supporting the 76th amendment of the Constitution, I would like to conclude. my observatio.ı. Thank you. Sir.

* মঃ নিজামুদ্দিন খান : মাননীয় অধ্যক্ষ মহোদয় আজি যি বিল উত্থাপন কৰিছে সেই বিলৰ প্ৰতি মই সমৰ্থন জনাইছো। ইয়াৰ লগতে মোৰ কিছু কথা ব্যক্ত কৰিব বিছাৰিছো। ইতিমধ্যে কেন্দ্ৰীয় শাসিত যিবিলাক ৰাজ্য আছে তাৰ ভিতৰত দিল্লী আৰু পণ্ডীচেৰীক যি মৰ্য্যদা দিয়া হৈছে তাৰ ভিতৰত অন্যান্য ৰাকী যিবিলাক ৰাজ্য আছে তেওঁলোকক বঞ্চিত কৰা হৈছে। কিন্তু আন্দামান নিকোবৰ দীপপুঞ্জ ই ৰহু দিনৰ পৰা এই দাবী উত্থাপন কৰি আছিল এতিয়া পণ্ডিচেৰী আৰু দিল্লীক যি মৰ্য্যদা আৰু ক্ষমতা দিয়া হ'ল কিন্তু বহু দিনৰ পৰা দাবী উত্থাপন কৰা স্বত্তেও সেই সকলক কোনো কথাই কেন্দ্ৰীয় চৰকাৰে দৃষ্টিপাত নকৰিলে। মই জনাত ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ক্ষেত্ৰত যিহেতুকে ৰাষ্ট্ৰপতি জন গোটেই ভাৰতৰেই ৰাষ্ট্ৰপতি সেই হেতুকে গণতান্ত্ৰিক দেশ হিচাৰে কিছু সংখ্যক মানুহক তাৰ পৰা অৰ্থাৎ ভোট দিয়া ক্ষমতাৰ পৰা বঞ্চিত কৰাটো উচিত নহয়। দিল্লী আৰু পণ্ডীচেৰীক এই ক্ষমতা দিয়া হৈছে। কিন্তু বাকী বিলাকক দিয়া নাই। গতিকে দিল্লী আৰু পণ্ডীচেৰীৰ লগতে অন্যান্য স্বায়িত্ব শাসিত ৰাজ্য সমূহকো এই ক্ষমতা দিয়া প্ৰয়োজন। বিশেষকৈ আন্দামান নিকোবৰক। এই পৰিপ্ৰেক্ষিতত অচিৰে কেন্দ্ৰীয় চৰকাৰে সংবিধান সংশোধনৰ ব্যৱস্থা

---

* Speech not corrected.

কৰিবলৈ আমি দাবী জনালো। এই বিল্ল সমৰ্থন লগতে অন্যান্য দাবী জনোৱা ৰাজ্য সমূহকো সমানে সুবিধা দিবলৈ দাবী জনাই বক্তব্যৰ সামৰণি মাৰিলো।

*মঃ আব্দুল জলীল ৰাগিবী: মাননীয় অধ্যক্ষ মহোদয়, দিল্লী আৰু পণ্ডিচেৰীক বিশেষ গণতান্ত্ৰিক অধিকাৰ দিয়া সম্পৰ্কত এখন বিল ৰাজ্য সভা আৰু লোক সভাত গৃহীত হৈছিল। সংবিধানৰ নিয়ম অনুসৰি প্ৰত্যেক ৰাজ্যৰ বিধান সভাটো এই বিল উৎথাপন কৰিব লাগে, সমৰ্থন কৰক বা বিৰোধীতা কৰক। সেই মতে আজি অসম বিধান সভাত এই বিল উৎথাপন কৰা হৈছে। এই বিল উৎথাপন কৰাৰ পাচত মাননীয় সদস্য সকলে বিল খনৰ প্ৰতি সমৰ্থন জনাইছে' বিৰোধীতা কৰা নাই। লগতে আমাৰ যিসকল অপোযিচন আছে তেওঁলোকে যিহেতুকে অপোজিচনৰ ভূমিকা গ্ৰহণ কৰিব লাগে, সেয়ে তেওঁলোকে কিছু প্ৰস্তাৱ দাঙি ধৰিছে। দিল্লী আৰু পণ্ডিচেৰীক যি মৰ্যাদা দিয়া হৈছে বাকী ইউনিয়ন টেৰিটৰী সকলোকো সেই একে মৰ্যাদা কিয় দিয়া হোৱা নাই ? লোক সভা আৰু ৰাজ্য সভাত হোৱা বিতৰ্ক সমূহৰ কপি আমাৰ ইয়ালৈ পঠিয়াই দিয়া হৈছে। ইয়াত আছে it may further be that while considering the relevant fact and the extract in both reference of Parliament in favour of including the elected members of the legislative assembly of the Union Territories in the Electoral College for the election of President under Article 54 of the Constitution and it may be stated that on behalf of the Government suggestion would be given due consideration on a priority basis, সেই হিচাবে দিয়া হৈছে। বাকী যিবিলাক ইউনিয়ন টেৰিটৰী আছে সেই সকলক সময় মতে দিয়া হব বুলি কৈছিল। গতিকে ইয়াত বিৰোধীতাৰ কোনো কাৰণ নাই। আমাৰ মাননীয় সদস্য গিয়াছুদ্দিন আহমেদে এটা বৰ সাংঘাটিক প্ৰস্তাৱ দাঙি ধৰিছে, তেখেতে কৈছে যে যিহেতুকে ইউ, পিৰ জন সংখ্যা আৰু প্ৰতিনিধি বেচি সেয়ে গোটেই কেন্দ্ৰীয় চৰকাৰখনক ইউ, পিয়ে ডমিনেট কৰি আছে। সেয়ে তেওঁ মতামত দাঙি ধৰিছে যে বাকী আন ৰাজ্য সমূহতো জনসংখ্যা যিমানেই নহওক

*Speech not corrected.

প্ৰতিনিধিৰ সংখ্যা সমানেই হব লাগে বুলি কৈছে। এইটো জানো যুক্তিগত কথা হৈছে ? আহমেদ ডাঙৰীয়াৰ দৰে এজন প্ৰতিনিধিয়ে যদি এনে কথা দাঙি ধৰে কেনেকৈ হব ? ইউ, পি এখন ডাঙৰ ৰাজ্য। আমাৰ অসম এখন এটা সময়ত ডাঙৰ ৰাজ্য আছিল। কিন্তু ভাগ ভাগ হৈ গ'ল। ইউ, পিৰ যিটো মিলা প্ৰীতিৰ ভাৱ সেয়ে আজি তেওঁলোকৰ প্ৰতিনিধিও বেচি। কিন্তু আমি আজি মিলাপ্ৰীতিৰ অভাৱে ভাগ ভাগ হৈ যাব লগা হ'ল। (ভইচ: এই ভাগ ভাগ কৰিলে কোনে ?

আৰু এটা কথা হ'ল— কেন্দ্ৰই অসমৰ প্ৰতি শোষণ কৰাৰ মনোবৃত্তি লৈ আহিছে আৰু অসমক শোষণ কৰি আহিছে। এই শোষণৰ বিৰুদ্ধে অসমৰ সাধাৰণ মানুহে বিশেষকৈ উঠি অহা যুৱক চামে ইয়াৰ প্ৰতিবাদত দাবী তুলিছিল যে অসম ৰাজ্যখনৰ শাসন আমি নিজে কৰিব লাগে আৰু আমাৰ ৰাজ্যখনৰ জনসাধাৰণৰ কাৰণে আৰু জনসাধাৰণৰ উন্নতিৰ কাৰণে আমি নিজে চিন্তা কৰিব লাগে। আৰু এই বিষয়ত নিজৰ কৰ্ত্তৃত্ব বিচাৰি, সুবিধা দিবলৈ দাবী কৰিছিল আৰু কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰতিবাদ জনাই নিজক কৰ্ত্তৃত্ব দিব লাগে বুলি দাবী তুলিছিল। মোৰ বন্ধু মাননীয় সদস্য এগৰাকীয়ে আক্ষেপৰ সুৰত কৈছিল যে এই সুবিধা বিচাৰি বা কৰ্ত্তৃত্ব বিচাৰি দাবী জনাই আমি ঘোৰ আন্দোলন কৰিছিলো আৰু এই আন্দোলনৰ পৰিপ্ৰেক্ষিতত অসমত তেজৰ নৈ বৈছিল, অসমৰ বুকুত তেজৰ নৈ বৈছিল কিন্তু তথাপিতো কেন্দ্ৰীয় চৰকাৰৰ মন নবহিল, এইটো মন্তব্য কৰিছিল। কিন্তু সেইটো নহয়, সেইটো সমৰ্থন কৰি কেন্দ্ৰীয় চৰকাৰে সমৰ্থন কৰি কৈছিল আৰু শেষত কেন্দ্ৰীয় চৰকাৰে অসমত আমাৰ চৰকাৰ ভঙ্গ কৰি সাধাৰণ নিৰ্ব্বাচনৰ ব্যৱস্থা কৰি দিলে আৰু অসমৰ ৰাইজে যুৱক সকলক অভুতপুৰ্ব্ব সহাৰি জনাই ৰাজ্যখনৰ শাসন ভাৰ জাপি দিলে আৰু স্বাধীন ভাবে অসমৰ শাসনৰ দায়িত্ব আপোনালোকৰ হাতত দিছিল। কিন্তু যিটো মৰ্য্যাদা অসমৰ ৰাইজে আপোনালোকক দিলে সেই মৰ্য্যাদা আপোনালোকে কেনে দৰে পালন কৰিলে সেইটো সকলোৱে জানে। কেন্দ্ৰীয় চৰকাৰে অসমৰ ৰাইজৰ দাবীৰ প্ৰতি সমৰ্থন জনাই যিটো প্ৰতিশ্ৰুতি দিছিল সেই মতেই কামো কৰিলে। গতিকে প্ৰসঙ্গক্ৰমে এই খিনি কথা

উত্থাপন কৰি মই যি খিনি বক্তব্য ৰাখিছো, এই বক্তব্যৰ জৰিয়তে বিল খন সমৰ্থন কৰিলো ।

*শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, বিলখন প্ৰতিৰোধ কৰাৰ কথা নহয় এতিয়া আমি দেখিবলৈ পাইছো কংগ্ৰেছ চৰকাৰৰ বিশেষকৈ কেন্দ্ৰৰ মতিগতি এতিয়া কিছু ভাল হৈছে— বিৰোধী দলে যেতিয়া এটা দিমাণ্ড দিয়ে তেতিয়া তেখেত সকলে সেইটো সৃষ্টিমূলক ভাবে গ্ৰহণ কৰি লোৱা যেন অনুভৱ কৰিছো । যেতিয়া বি জে পিয়ে তাত ডিমাণ্ড দিলে তেতিয়া তেওঁলোকৰ গা লৰচৰ হ'ল কিন্তু আমাৰ ইয়াত বি জে পি চাইলেণ্ট হৈ থাকিল । এই বিল-খন প্ৰকৃততে বি জে পিয়ে আনিছে, বি জে পিৰ ডিমাণ্ডৰ প্ৰতি তেওঁলোক নতশিৰ হৈছে, তাৰ দৃষ্টান্তয়ো আছে । শিক্ষাৰ ক্ষেত্ৰতেই চাওক বিৰোধী পক্ষ্যই যেতিয়া শিক্ষাৰ জিলা সমিতি বিলাকৰ ওপৰত আপত্তি জনালে তেতিয়া এই সমিতি বিলাক ভঙ্গ কৰি দিলে । গতিকে ৰাজ্যখনতো কংগ্ৰেছ চৰকাৰৰ মতি-গতি কিছু সলনি হোৱা যেন দেখা পাইছো । মতিগতি ভাল হোৱা বুলি জানিয়েই আমি বিলখন সমৰ্থন জনাবলৈ ইচ্ছা প্ৰকাশ কৰিছো । বিলখন প্ৰতিবাদ কৰাৰ কথা নহয় কিন্তু মাননীয় সদস্য গৰাকীয়ে যিটো মন্তব্য কৰিছে তাৰ ওপৰতহে কব বিচাৰিছো, তেখেতেও যি ধৰণে জনসাধাৰণৰ বিপুল সমৰ্থন লৈ ইউ,এম, এফত আহি আবেগিক হৈ কি কৰিলে, শেষত কংগ্ৰেছত সোমাই পৰিল । আজি ৰাতিপুৱা ৰাতৰি কাকতত দেখিলো অল আসাম এংলো ইন্দিয়ান এচেচিয়েশ্যনৰ পৰা অসম বিধান সভাত তেওঁলোকৰ প্ৰতিনিধিত্ব বিচাৰি দাবী কৰিছে কিন্তু আজি অসমত এংলো ইন্দিয়ান লোকৰ সংখ্যা কিমান আছে যে তেওঁলোকে অসম বিধানসভাত প্ৰতিনিধিত্ব দাবী কৰিব পাৰে, তেওঁলোকৰ মাত্ৰ মুষ্টিমেয় লোক আছে, এই সকলে কেনেদৰে প্ৰতিনিধিত্ব দাবী কৰিব পাৰে । এই বিষয়ে নিশ্চয় চৰকাৰে মনে মনে আলোচনা হৈছে নহলেনো কেনেকৈ এইটো প্ৰকাশ কৰিব পাৰে । অসম বিধানসভাত আলোচনা নকৰাকৈ এনেদৰে বহুতো কথাই ঘটি আছে । এইটো সাধাৰণ কথা নহয়, অসম বিধান সভাত প্ৰতিনিধিত্ব দাবী কৰি তেওঁলোকৰ ভালৰ পৰা দিমাণ্ড আহিছে, আৰু মনে মনে প্ৰেচিডেণ্ট নিৰ্ব্বাচনৰ আগে আগে মনোনয়ন কৰি লোৱাৰ ব্যৱস্থা

* Speech not corrected.

কৰিব পাৰে। আজি যদি এংলো ইন্দিয়ান সকলক প্ৰতিনিধিত্ব কৰিব দিব পাৰে তেতিয়াহলে আমাৰ অসমৰ খিলঞ্জিয়া কোচ ৰাজবংশী, মটিক বা আমাৰ ৰাজ্যতে থকা সৰু সৰু জনগোঠীক কিয় প্ৰতিনিধিত্ব কৰিব দিব নোৱাৰি। আমাৰ ৰাজ্যতে ৰাভা সকল আছে আৰু তেনে ধৰণে বহুতো জনগোঠী আছে যিসকলে অসম বিধানসভাত প্ৰতিনিধিত্ব পোৱা নাই সেই সকলক দিয়াত আমাৰ আপত্তি নাই কিন্তু আমাৰ ৰাজ্যত এংলো ইন্দিয়ান অতি মুষ্টিমেয় গতিকে এইটো কেনেকৈ হব পাৰে। এই কংগ্ৰেছ চৰকাৰে আমাৰ ৰাজ্যখনত কিছুমান কাম মনে মনে কৰি আছে, বিধান সভাত আলোচনা হোৱা নাই, ইয়াৰ দ্বাৰা কেৱল বিধান সভাকে অৱমাননা কৰা হোৱা নাই অসমৰ ৰাইজক অৱমাননা কৰা হৈছে, অধ্যক্ষ মহোদয় আপোনাক অৱমাননা কৰা হৈছে। এইবিলাক যেক তুৱৰ পলিচি ৰাজ্য খনৰ কাৰণে ক্ষতিকাৰক। ইয়াৰ আগতেও বিধান সভাত আলোচনা নকৰাকৈ মনে মনে কিছুমান কাম কৰি আছে আৰু সেই বিলাক পিছত ৰাজহুৱা ভাৱে ষ্টেটমেণ্ট দিয়া আমাৰ চকুত পৰিছে। কোনো কাৰণতেই এইবিষয় বিলাকৰ কথা অবগত নকৰাকৈ হঠাৎ কিছুমান ষ্টেটমেণ্ট দিছে। যোৱা কেইমাহৰ আগতে কাকো নজনাকৈ হঠাৎ ৰাজ্যখনত সেনাবাহিনী জাপি দিলে, সিদিনা আকৌ অসমত ৩০ লাখ বিদেশী আহিছে বুলি বাতৰিত দিছে। গতিকে বিষয়টি প্ৰোপাৰ ফৰ্মত দিচ কাচ কৰি বাহিৰত ষ্টেটমেণ্ট দিলে কাৰো আপত্তি নাথাকে। কিন্তু বিধান সভাক অৱজ্ঞা কৰি এংলো ইন্দিয়ান প্ৰতিনিধিত্ব বিষয়টিৰ ওপৰত ষ্টেটমেণ্ট দিয়াতো ভাল কথা নহয়। বিধান সভাক অৱজ্ঞা কৰি মনে মনে কাম কৰা কৌশলটো এৰাই চলিলে আমাৰ জাতিটোৰ, নিজৰ ৰাজ্য খনৰ আৰু দেশখনৰ কাৰণে মঙ্গল জনক হব।

* শ্ৰীহিতেশ্বৰ শইকীয়া : (মুখ্যমন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, আজি আমি ৭৬ এমেন্দমেনটো ৰেটিফিকেচন কৰিবলৈ বিচাৰিছো আৰু এই সম্পৰ্কে মাননীয় সদস্য সকলে সমৰ্থন আগবঢ়োৱাৰ কাৰণে মই ধন্যবাদ দিছো। এই প্ৰসঙ্গতে মই দুটামান কথা কব বিচাৰিছো। আন্দমান নিকোবৰ নগৰ হাৱেলি আৰু চণ্ডীগড়ক ৰক্ষিত কৰাৰ কথাটো আজি আহিছে। আপুনি জানে যে, ইউনিয়ন টেৰিটৰি যিবিলাকত লেজিচলেটিভ এচেম্বলি আৰু কাউন্সিল অৱ মিনিষ্টাৰ

* Speech not corrected.

আছে সেই সকল ৰাষ্ট্ৰপতিৰ নিৰ্ব্বাচনত ভোট দিয়াৰ অধিকাৰ দিব বিচাৰিছে। আপুনি জানে ৰাষ্ট্ৰপতিৰ নিৰ্বাচন এক ইনদাইৰেক্ট ইলেচন। ইয়াত পাৰ্লিয়ামেণ্ট আৰু লেজিস্লেটিভ এচেম্বলিৰ সদস্য সকলে ভোট দিব পাৰিব। ১৯৬৪ চনতে পন্দিচেৰীত লেজিস্লেটিভ এচেম্বলি আৰু কাউন্সিল অৱ মিনিষ্টাৰ দিয়া হৈছিল গতিকে তেওঁলোকে ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত অংশ গ্ৰহণ কৰিবলৈ পোৱাটো উচিত। এইটো বিবেচনা কৰিয়েই পাৰ্লিয়ামেণ্টে পন্দীচেৰীক এইবাৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত অংশ গ্ৰহণ কৰিবলৈ দিছে। এই বিধি সংক্ৰান্তত আজি ১ বছৰৰ আগতে দিল্লীৰ কাৰণে এখন লেজিচলেটিভ এচেম্বলি আৰু কাউন্সিল অৱ মিনিষ্টাৰ আইন পাছ কৰিছে। এইখন কাৰ্য্যকৰী নকৰিলে দিল্লীৰ জনসাধাৰণে ৰাষ্ট্ৰপতিৰ নিৰ্বাছনত অংশ গ্ৰহণ কৰিব নোৱাৰিব। সেই কাৰণে এই এমেন্দমেণ্টে দিল্লী আৰু পন্দিচেৰীক ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত অংশ গ্ৰহণ কৰিবলৈ দিছে। চন্দীগড়, নগৰ হাবেলি আৰু আন্দামান নিকোবৰ এই কেইখন ইউনিয়ন টেৰিটৰি বঞ্চিত হৈছে। এই ইউনিয়ন টেৰিটৰি বিলাক সৃষ্টি কৰা সময়ত কাউন্সিল অৱ মিনিষ্টাৰ আৰু লেজিস্লেটিভ এচেম্বলি নাছিল, পিচত দিয়া হৈছে। তেনেকৈয়ে আজি বহুতো টেৰিটৰি ৰাজ্য হৈছে। চন্দীগড়, নগৰ হাবেলি আৰু আন্দামান নিকোবৰ এই কেইখনৰ কথা কেন্দ্ৰীয় চৰকাৰে উদ্দেশ্য প্ৰনোদিত ভাবে বঞ্চিত কৰা নাই। কিন্তু বঞ্চিত হৈছে। মই ভাবো নিশ্চয় সময়ত হ'ব। দ্বিতীয়তে যদিও আমি এই এমেন্দমেনটো লৈ সদনত নানা কথাৰ অৱতাৰণা কৰিছো কিন্তু মাননীয় সদস্য জয়নাথ শৰ্মা দেৱে যি কথা কৈছে সেইটো মই সপোনতো ভৱা নাছিলো। এংলো ইন্দিয়ানক সদনত বিশেষ আসন দিব লাগে বুলি কোনো কাগজত লিখা নাই, মোক কোনেও বিশেষ আসন বিচৰা মনত নপৰে আৰু কোনে ৰিকমেন্দ কৰিছে মোৰ জনাত নাই।

* শ্ৰীজয় নাথ শৰ্ম্মা: মাননীয় অধ্যক্ষ মহোদয়, আজিৰ ট্ৰিবিউনত দিছে—

There is a news item in The Assam Tribune dated 15.6.92 "The Anglo-Indian Association of Assam has welcomed the move of the Government of Assam to nominate Anglo-Indian representative to the State Legislative Assembly

* Speech not corrected.

as provided for in the Constitution. This would fulfill a long-standing demand of the Association."

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ, আমাৰ ৰাজ্যখনো কাউন্সিল অৱ ষ্টেট কৰাৰ বাবে যো-যা চলি আছে কোনোৰাই হয়তো কব পাৰে কিন্তু লেজিস্লেটিভ এচেম্বলিৰ বিষয়ে কোনেও একো কোৱা নাই।

Mr Speaker— Now, I put the Resolution—

That this House ratifies the amendment to the Constituion of India falling with in the purview of Clause(a) of the proviso to Clause (2)of Article 368 thereof, proposed to be made by the Constitution (Seveuty-sixth Amendment) Bill, 1992 as passed by the Houses of Parliament."

(Resolution is passed)

Now, I proceed to Item No. 3.

## CALL ATTENTION NOTICE

* শ্ৰীচন্দ্ৰমোন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নম্বৰ নিয়মৰ অধীনত ১৯৯২ চনৰ ১৩ জুন তাৰিখৰ " নতুন দৈনিক " কাকতত প্ৰকাশিত 'মন্ত্ৰীৰ বিৰুদ্ধে বৈষম্যৰ অভিযোগ" বাতৰিটোৰ শীৰ্ষক প্ৰতি মই মাননীয় চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। কাৰন এই বিষয়টো ৰাজহুৱা স্বাৰ্থৰ লগত জৰিত। আৰু জনসাধাৰনৰ লগতো জৰিত। এই সম্পৰ্কে এটা নীতি থকা প্ৰয়োজন। সেইকাৰনে মই এই কথাটো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। উদাহৰণ স্বৰূপে আনটাইদ ফান্দৰ যি টকা এখন জিলাত দিয়া হয় সেই পইচাৰ ক্ষেত্ৰত কিছুমান মন্ত্ৰীয়ে হস্তক্ষেপ কৰাত আৰু দি, চিৰ হস্তক্ষেপত জিলাখনৰ এটা অংশ যথেষ্ট লাভবান হয় বাকী অঞ্চল বিলাকৰ জনসাধাৰণ লাভবান নহয়। জনসাধাৰণৰ স্বাৰ্থ পুৰণ নহয়। সেইকাৰণে মই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে, জিলাবিলাকত আনটাইড ফান্দৰ টকা বিতৰণ কৰোতে জিলাৰ সকলো বিধায়কৰ লগত আলোচনা

* Speech not corrected.

কৰিব লাগে। জিলা পৰ্য্যায়ৰ বিষয়াৰ লগত আলোচনা কৰিব লাগে আৰু সেই জিলাৰ মন্ত্ৰী থাকিলে তেওঁক সভাপতি হিচাবে লব লাগে। সকলো এম, এলক মাতি আলোচনা কৰিলে ফ্লাদ দেমেজ আৰু নেচাৰেল কেলামিটিজ হোৱা অঞ্চলতো টকা দিব পৰা হয়। গোলাঘাটত যিটো সমস্যা হৈছে, চৰকাৰৰ চিঠিৰ নং No. GDP 103/92 dated 12-6-92 এই চিঠিৰ মৰ্ম্মে এ, দি, চি, য়ে Called a meeting where Members present—

1) Shri T. Basumatary, D. C.
2) Shri J. Gogoi, ADC
3) Divisional Forest Cfficer
4) Executive Engineer, PWD, Roads.

ইয়াত অন্যান্য এম, এল, এ ও আছে মাননীয় সদস্য বিনোদ গোৱালাও আছে কিন্তু তাত আমাৰ অধ্যক্ষ মহোদয় নাই। অধ্যক্ষ মহোদয় আমাৰ মনিটৰ হিচাবে আছে। কিন্তু আমন্ত্ৰণ নকৰি টকা পইচা বিতৰণ কৰি দিয়া হ'ল। মাছ বজাৰৰ উন্নয়নৰ বাবে ৬২ হাজাৰ টকা দিয়া হল আৰু ৰাস্তা কিছুমানৰ বাবেও টকা দিয়া হল। মাননীয় সদস্য ভূঞা ডাঙৰীয়াৰ সমষ্টিতো ১।। লাখ টকা পাইছে।

এই গণ্ডগোল বিলাক হৈ যোৱাৰ পিছতো আৰু এখন চিঠি আহিছে। সেই চিঠি মৰ্ম্মে আৰু অলপ খেলি-মেলি দেখিবলৈ পালো। এই চিঠিৰ নং হল জিবি ১০৩/৯২ তাৰিখ ১২ জুন, গোলাঘাট। আগৰ চিঠিখনত স্কিম ধৰি এলটমেণ্ট দিছে। মেৰ চিঠিখনত ৰাস্তাবিলাকৰ জাংচাৰ পইণ্ট মাছ বজাৰৰ কথা স্পেচিফিক কৰি দিছে। ১২ জুনৰ চিঠি ১০৩/৯২ত সমষ্টি হিচাৰে ভাগ কৰি দিছে। সেই মতে গোলাঘাটত ৭'৬ লাখ, খুমটাইত ৭ লাখ, বোকাখাতত ৫০২ লাখ, ডেৰগাওঁত ৪'৭৩ লাখ টকা। আৰু এটা সমষ্টিত শ্ৰীবিনোদ গোৱালাৰ সমষ্টি অফ হৈ গল। আপোনালোকে গাৰ জোৰেৰে সংবিধান সংশোধন কৰে। আনটাইদ ফাণ্ড জোৰেৰে নিলে গণতন্ত্ৰ কত থাকিব। এই বিষয়টোৰ প্ৰতি মাননীয় মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো এই ডি চিৰ বিৰুদ্ধে ব্যৱস্থা লব নে নলয়? দিচিৰ বিৰুদ্ধে একচন লব লাগিব আৰু চেয়াৰমেনে যদি বৈষম্য কৰিছে তেন্তে চেয়াৰমেনৰ বিৰুদ্ধেও ব্যৱস্থা লব লাগিব। দি চিয়ে মিটিং মাতিব লাগে আৰু চেয়াৰমেন হল এপ্ৰভেল দিয়াৰ অথৰিটি। এইটো যিহেতুকে

কাগজে পত্রে হৈছে চেয়াৰমেনৰ বিৰুদ্ধে ব্যৱস্থা লব লাগিব। এইটো অকল গোলাঘাট জিলাত নহয় নলবাৰী জিলাটো এনে ঘটনা হৈছে। নলবাৰী জিলাৰ প্ৰত্যেকজন এম, এল, এৰ মেণ্ডেট লওক। কোনেও এক পইচা পোৱা নাই। কোকৰাঝাৰ জিলাৰ চৰাইখেদা ট্ৰাইবেল জনগোষ্ঠী এলেকালৈ যাওঁতে বৰপেটাৰ দিচিয়ে আমাক পাত্তাই নিদিলে। এই বিষয়ত কোনো ব্যৱস্থাই লোৱা নহল। এই ধৰণে যদি গোলাঘাটৰ দিচিৰ ওপৰতো কোনো ব্যৱস্থা লোৱা নহয় তেন্তে কেনে হব। বৰপেটাৰ দিচি জনে শান্তি যাত্ৰাত অশান্তি কৰিছে। শিক্ষা মন্ত্ৰীয়ে ৰাজহুৱাভাৱে গালি পাৰিছে। দিচি বিলাকৰ উদ্ভণ্ডালী হব ধৰিছে অথচ একচন নলয়। শ্ৰীচি শৰ্মাই কৈছে মোৰ বিৰুদ্ধে কিয় লাগিছে, লাগিলেও একো কৰিব নোৱাৰে। বৰপেটা জিলাৰ দি আৰ দিয়েৰ ২-৩ কোটি টকা লুটি লৈ গৈছে। একো কৰিব পৰা নাই। এতিয়াৰ বন্ধু চৰকাৰ আৰু কথাই নাই। তেখেতে কৈছে যে তেওঁৰ বিৰুদ্ধে লাগি লাভ নাই। নলবাৰী জিলাৰ তামুলপুৰ, মছলপুৰ, নিকাচি আদি জনজাতি বসতিপুৰ্ণ অঞ্চল। গড়কাপ্তানী মন্ত্ৰীক চাৰিবাৰ মান কৈছো আনটাইদ ফাণ্ডৰ টকা দিয়ক।

* ডা' ভূমিধৰ বৰ্মণ (শিক্ষামন্ত্ৰী): মাননীয় অধ্যক্ষ, নলবাৰী জিলাৰ আনটাইদ ফাণ্ডৰ পইচা এতিয়ালৈকে খৰছ হোৱা নাই। ৩১ তাৰিখে মিটিং মতা হৈছে আৰু তাতে সিদ্ধান্ত কৰা হব। মাননীয় সদস্য সকলৰ লগত সমিল মিলেৰে বিতৰণ কৰিছো। এই বিষয়ে শ্ৰীনগেন শৰ্মাই কব নলবাৰীত কোনো গণ্ডগোল হোৱা নাই। আমি ভালভাৱে চাহ ভাত খাইছো।

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী: মাননীয় অধ্যক্ষ, মুখ্যমন্ত্ৰীয়ে নলবাৰী, গোৱালপাৰাৰ কথা বিলাক চাব নোৱাৰে। সেই কাৰণে ইয়াত উল্লেখ কৰিছো। দিচি বিলাকৰ উদ্ভণ্ডালী হলে মন্ত্ৰী, বিধায়ক তথা হাউচৰ পজিচন নষ্ট হয়। আজিৰ সদনত টকা ভগোৱা নাই বুলি কৈছে। পৰৱৰ্তী সদনত এই খিনি কথা উত্থাপন কৰিম। গোলাঘাটৰ দিচিয়ে মিটিং নাপাতি এইখিনি কৰাৰ বাবে দায়ী। মন্ত্ৰী হিচাবে নিজৰ সমষ্টিত ২-৪ পইচা বেছি দিয়ে সেইটো দোষ নহয়। কিন্তু গণতান্ত্ৰিক ভাৱে মিটিং পাতি ভাগ বতৰা কৰিব লাগে। Action should be taken against the DC, Golaghat. If

---

* Speech not cerrected.

Minister approves of this without the approval of other members there should be action against the Minister also, but with the consent of the Members of the Meeting. এনেকুৱা ধৰণৰ খেলি-মেলিৰ কথা চলি আছে।

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী): অধ্যক্ষ মহোদয়, তেখেতে স্বাস্থ্য মন্ত্ৰী থাকোতে নিজৰ সমষ্টিত তিনিখন, ৩০খন বিচনাযুক্ত হাস্পাতাল কৰিছে।

মাননীয় অধ্যক্ষ: এই বিলাক কথা কৰ নালাগে।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী: অধ্যক্ষ মহোদয়, প্ৰশ্ন হ'ল গোলাঘাটৰ দিচিৰ ওপৰত একচন লব লাগে। এই ধৰণৰ বৈষম্যৰ বাবে চেয়াৰমেনৰ ওপৰত একচন লৰ লাগে। এই একচন ললেহে বাকী বিলাক অফিছাৰে চৰকাৰ মানিব। ইয়াৰ ব্যৱস্থা নললে বহুত অসুবিধা হব। উন্নয়ণমূলক কামৰ ক্ষেত্ৰত নিজৰ সমষ্টিৰ বাহিৰেও সকলোকে চাব লাগিব। সংসদী পৰিক্ৰমা মন্ত্ৰীয়ে যিটো কৈছে সেইটো নহয়। শ্ৰীশিৱ শম্ভু ওজাৰ সমষ্টিত দুশ খন বিচনা-যুক্ত হাস্পাতাল কৰি দিছো ঠিক সেইদৰে শ্ৰীচেত্ৰী আৰু শ্ৰীহিৰণ্য বৰাৰ সমষ্টিৰ বাবেও যুজ কৰিছো। গতিকে চাব এইবিলাকৰ একচন হব নে নহয়? এনে ধৰণৰ বৈষম্য কিয় হব লাগে?

শ্ৰীজয়নাথ শৰ্মা: মাননীয় অধ্যক্ষ মহোদয়, কথাটো হ'ল এনেকুৱা আগতে মুখ্যমন্ত্ৰীয়ে কলে যে শ্ৰীজয়নাথ শৰ্ম্মাই সময় এনেই লয়। চোৰ কাৰ্য্যত লিপ্ত হৈ কি হব।

* শ্ৰীঅঞ্জন দত্ত: আগতে নীচ শব্দটো কৈছিল। চোৰ শব্দটো অসাংবিধানিক

* শ্ৰীজয়নাথ শৰ্মা: মৰ্য্যদা হানি কৰাৰ বিষয়টো আনিব লগা হৈছে। আপোনাৰ নিশ্চয় মনত আছে যোৱা ৩১/৩/৯২ তাৰিখে বাজেট অধিৱেশন চলি আছিল সেই সময়ত গোলাঘাট জিলাৰ বিধায়ক কেইজন ব্যস্ত আছিল। ইয়াত বহি থকা সময়ত মনে মনে মিটিং খন কৰিছে। মনে মনে কাম কৰাৰ উদ্দেশ্য কি? ডি চিক দোষ দিবলৈ যোৱা নাই। মিনিষ্টাৰ তথা চেয়াৰমেনৰ অৰ্ডাৰ আছে যিহেতু আঁচনি সমূহ ইতিমধ্যে আৰম্ভ কৰা হৈছে সেয়ে নতুন আঁচনি লোৱাটো সম্ভৱ নহয়। অৱশ্যে কাম আৰম্ভ নোহোৱা আঁচনি আছে।

---

*Speech not corrected.

এই ক্ষেত্ৰত পৰৱৰ্ত্তী পৰ্য্যায়ত উপায়ুক্তক কৰ্ত্তৃত্ব দিয়া হ'ল । পুণৰ বৈঠকৰ প্ৰয়োজন নাই । ভৱিষ্যতে চৰকাৰৰ বেতাৰ বাৰ্ত্তা নিশ্চয় আলোচনা কৰা হ'ব । যি খন আমাৰ চাব ডিভিজনেল প্লেনিং বৰ্ড গঠন কৰা আছে তাত মাননীয় অধ্যক্ষও আছে । নেওগৰ বিৰুদ্ধে কথাটো আনিছে । নেওঁগ ডাঙৰীয়াৰ ইনটেনচন কি আছে । ৩১।৩।৯২ তাৰিখে তেখেতে মিটিং কৰিছে । উদ্দেশ্য এইটোৱেই হ'ব অন্যান্য বিধায়ক সকল বিধান সভাত ব্যস্ত থাকিব সেই সময়ত সেই সুবিধা ল'ব । ফৰেষ্টৰ ৰাস্তা বনাবৰ কাৰণে ৫ লাখ টকা লৈছে । ৰাস্তাৰ উন্নয়ন আৰু মেৰামতিৰ নামত শিলগুটি নপৰে । ফৰেষ্টৰ উন্নয়নৰ কাৰণে ৫ লাখ টকা কিয় লব লাগে উদ্দেশ্য কি ? নতুনকৈ ৰাস্তা বনালে কামটো ৰাইজে দেখিব । গোটেই লিষ্টখনত দেখিব যে ফৰেষ্টত ৫ লাখ, গোলাঘাট মিউনিচিপেলিটিৰ বাবে ৪ লাখ ৬২ হাজাৰ ৪ এইচ, পি পাম্পৰ বাবে ৪৪ হাজাৰ টকা আৰু ডি চি ৰ বাংলাৰ পথৰ বাবে ৬২ হাজাৰ টকা আনিছে । গড়কাপ্তানী বিভাগৰ ১৪ লাখ টকা ১'৫০ লাখ টকা শ্ৰীভূঞাক দিছে বাকী কোনো স্কিম অন্য সমষ্টিলৈ যাব দিয়া নাই । ইনটেনচন কি ? ইয়াত স্পষ্ট ওলাই পৰিছে কাম ইতিমধ্যে আৰম্ভ হৈ গ'ল আকৌ বি এলটমেণ্ট কৰিছে । দ্বিতীয় বাৰ ১২ জুন তাৰিখে ডি চি আগেলনাব সমষ্টিত ৫ লাখ টকা দিছে । প্ৰশ্ন হ'ল দেৰগাওঁ সমষ্টিত ৪ লাখ ৬০ হাজাৰ টকা দিছে য'ত নেকি অনুসূচিত সম্প্ৰদায়ৰ লোক বেচিকৈ বাস কৰে । তাত বেচিকৈ টকা দিব লাগিছিল তাত কমকৈ দিছে । সৰুপথাৰ সমষ্টিৰ কথা বেলেগ ইয়াত নাহিবও পাৰে । এই ধৰণৰ বৈষম্য কিয় হৈছে ? শ্ৰীনকুল দাস আৰু বাইদেউৰ লগত এগ্ৰিমেণ্ট হৈছিল উন্নয়নমূলক কামত বিৰোধিতা নকৰো । ঘাহি আৰু কুৰুহা স্কুলত ৫০ হাজাৰকৈ টকা দিয়া হৈছিল । পিচ দিনা শুনিলো কুৰুহাব টকা কাটি আনি শ্ৰীনকুল দাসৰ তাত সোমোৱাই দিছে । চুক্তি ব্ৰেক কৰিছে এনেবুৰা কাগজ পত্ৰ পাই আছো । মিটিঙৰ সিদ্ধান্ত দিফাই কৰিছে । গতিকে কথাটো হল শ্ৰীনেওগ ডাঙৰীয়াই কিয় বৈষম্য কৰিছে ? ইয়াৰ কাৰণে মুখ্যমন্ত্ৰীয়ে কি ব্যৱস্থা লব ? মন্ত্ৰীয়ে নিজাববীয়াকৈ নিজৰ সিদ্ধান্ত অনুসৰি আনটাইড ফাণ্ডৰ টকা ভাগ কৰিছে । চেয়াৰমেনে চিঠি ইচু কৰিছিল । পইচা বেচিকৈ লাগিলে কব লাগে । মোৰ চিপাঝাৰ সমষ্টিত ৬৮ খন স্কুল বেচিকৈ লাগে । কাৰণ তাত স্কুলৰ সংখ্যা বেচি । শ্ৰীশৰৎ বৰকটকীয়ে ৩৪ খন নিছে আৰু এই অভগাক দিছে ১২ খন । মনে মনে নিয়া

কাৰ্য্যতো ৰাজ্যখনৰ কাৰণে দুৰ্ভাগ্যজনক। ৩১-৩-৯২ তাৰিখে নিজৰ সমষ্টিত গোটেই টকাখিনি দিছে।

Mr. Speaker: Please speak on 54.

* শ্ৰীঅঞ্জন দত্ত: অধ্যক্ষ মহোদয়, পইণ্ট অৱ অৰ্ডাৰ ইয়াত গোলাঘাটৰ কথাহে আহিছে। বিভাগীয় মন্ত্ৰী শৰত বৰকটকী ডাঙৰীয়াইও এনে ধৰণে লোৱাৰ কথা কৈছে। আমগুৰি তাপ বিদ্যুৎ প্ৰকল্পৰ কাৰণে টকা লৈছে যদিও এই ক্ষেত্ৰতো ৰাইজৰ পৰা অভিযোগ আছে। সেই কাৰণে গোলাঘাটৰ কথা উঠিছে যেতিয়া গোলাঘাটৰ কথাহে কোৱা ভাল হব।

* শ্ৰীজয়নাথ শৰ্মা: অধ্যক্ষ মহোদয়, ইয়াত ব্যক্তিগত কথা হব নোৱাৰে। শৰত বৰকটকীয়ে ৩৪ খন নাই নিয়া বুলি কৈছে কিন্তু ৩৩ খন নিব পাৰে। কিন্তু কি কৰ্ত্তৃত্বৰ ওপৰত নিৰ্ভৰ কৰি মহকুমা পৰিকল্পনা বোৰ্ডৰ টকা নেওগ ডাঙৰীয়া নিজে সভাপতি হৈ এই টকা নিজৰ সমষ্টিত সম্পূৰ্ণ ভাবে দিছিল। আৰু তাৰ পিছত যোৱা বাৰ তাৰিখে কি বত্তৃত্বত ডি চিয়ে পুনৰ এইটো ৰি এল'কেট কৰিছে সেইটো জনাব লাগে। যদি চৰকাৰে তেনে কোনো নিৰ্দেশ দিছে তেনেহলে তাৰ ওপৰত আলোচনা কৰিম আৰু যদি দিয়া নাই তেনে ঘটনা ৰুদ্ধ ঠাইত হৈছে। আনটাইড ফাণ্ডৰ মংগলদৈত কি হৈছে আপোনালোকে নাজানে। কিন্তু গোলাঘাটত এগৰাকী ৰাজ্যখনৰ মন্ত্ৰীয়ে জিলাতো দূৰৰ কথা নিজৰ সমষ্টিটোতে টকাখিনি দিয়াইছে। He is the minister of the State not a minister of a particular constitutenny. He is to work on behalf of all people of the state.

জিলাখনৰ হকেও কাম কৰা নাই। এইটো বৈষম্যমূলক আচৰণ কৰা হৈছে আৰু এইটো ইচ্ছাকৃত ভাবে কৰা হৈছে।

* শ্ৰীনকুল দাস (পশুপালন মন্ত্ৰী): অধ্যক্ষ মহোদয়, মঙ্গলদৈ মহকুমাত থকা এচ-চি স্কুলৰ কাৰণে টকা একলাখ আছিল আৰু তাৰে এখন স্কুলকহে দিব পাৰি। মোৰ সমষ্টিৰ ডুনি হাইস্কুলত দিয়াৰ কথা কৈছিলো আৰ শৰ্ম্মা ডাঙৰীয়াৰ কুৰুৱা স্কুলত দিয়াৰ কথা কোৱাত মই দুয়োখন স্কুলকে আধা আধা কৈ দিয়াৰ কথা কৈছিলো। কিন্তু যিহেতু টকাটো এটা হেডৰেই কাৰণে একে স্কুলতে নিদিলে টকাটো লেপচ্ হোৱাৰ ভয় আছে। আমাৰ সেই মিটিঙত আলোৱাৰা টাইমুৰ ৰাইদেৱো আছিল। শৰ্ম্মা ডাঙৰীয়াই দানি হাইস্কুলত দিয়াৰ

* Speech not corrected.

কথা কৈছিল। এইবাৰ দিয়া নহ'ল যেতিয়া অহা বছৰলৈ দিব পৰা হব।

* শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয় হলেও এইটো মিটিংত প্ৰস্তাৱ লৈ কৰিব লাগে। মিটিং নবহাকৈ নিজৰ বৰীয়াকৈ কেনেকৈ কৰিছে আৰু তেখেত সভাপতিও নহয়। কেৱল গোলাঘাট নহয় আন ঠাইতো এনেকুৱা হৈছে।

* শ্ৰীপ্ৰমোদ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে এই সংক্ৰান্তত যথেষ্ট আলোচনা কৰা হৈছে। মাননীয় সদস্য শৰ্ম্মা ডাঙৰীয়াই এই আটাই-বিলাক কথা আলোচনা কৰিছে। এই ক্ষেত্ৰত কেইটামান নীতিৰ প্ৰশ্ন জড়িত হৈ আছে। আনটাইড ফাণ্ড বিতৰণ কৰাৰ সময়ত ডি-চি সকল চেক্ৰেটাৰী, বিধায়ক সকল সদস্য আৰু কোনোৰা মন্ত্ৰী থাকিলে চেয়াৰম্যান হয়। অফিচাৰ থাকিলেও সদস্য। তাৰ উপৰিও আনটাইড ফাণ্ড বিতৰণৰ ক্ষেত্ৰত মিটিঙলৈ সকলো বিধায়কক খবৰ দিয়া হয়। কিন্তু গোলাঘাটৰ ক্ষেত্ৰত ডি-চিয়ে চেক্ৰেটাৰী হিচাবে সকলো বিধায়কক খবৰ দিয়া নাই। আৰু তেনেকুৱা অভিযোগ আমি পাইছো ধুবুৰী, গোৱালপাৰা ইত্যাদিতো। অৱশ্যে নলবাৰীৰ পৰা তেনে অভিযোগ পোৱা নাই। মৰিগাওঁৰ পৰাও এইবিলাক অভিযোগ আহিছে। ডি-চিয়ে এই পুঁজি বিতৰণ কৰাৰ ক্ষেত্ৰত বিধায়ক সকলক মিটিঙলৈ আমন্ত্ৰণ কৰা নাই। সেই কাৰণে মই মুখ্যমন্ত্ৰীক এই ফাণ্ড বিতৰণৰ ক্ষেত্ৰত কিবা নীতি আছে নে নাই আৰু যদি নাই এই ক্ষেত্ৰত ডি-চিয়ে ইচ্ছা কৰিলেহে বিধায়কক মাতিব পাৰে বা ইচ্ছা নহলে মাতিব নোৱাৰে এনেকুৱা কিবা আছে নেকি স্পষ্টবাৰ কব লাগে। এই কথাটো নীতিগত ভাৱে স্পষ্ট কৰি দিব লাগে। গড়কাপ্তানী বিভাগৰ একোটা সমষ্টিত ৬০-৭০ হাজাৰ টকা আছে মাত্ৰ যদিও আনটাইড ফাণ্ডৰ টকা আমি জনাত শিৱসাগৰ জিলাতে পাচ ছয় লাখ টকা হব। অৱশ্যে শিৱসাগৰ জিলাত তেনে হোৱা নাই। সকলো বিধায়ক আৰু ডি-চি আৰু চেয়াৰম্যানে আলোচনা কৰি কামটো কৰা হৈছে। এই ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা এটা পৰিস্কাৰ নীতি থকা দৰকাৰ। সেই কাৰণে আনটাইড ফাণ্ড বিতৰণৰ ক্ষেত্ৰত কি নীতি লয় তাক স্পষ্টভাবে জনোৱা উচিত। যিহেতু ডি চি নিজে সম্পাদক তেওঁ কোনোৰা বিধায়কক নিমন্ত্ৰণ নকৰাকৈ আৰু খবৰ নিদিয়াকৈ টকা বিতৰণ কৰি দিয়াটো যুক্তিযুক্ত হৈছেনে নাই আৰু যদি নিয়ম

* Speech not corrected.

মতে কৰা নাই তেনে বিষয়াক শাস্তি বিধান কৰিব লাগে। গোলাঘাটৰ ক্ষেত্ৰত দেখা গৈছে যে জুনৰ বাৰ তাৰিখে ডি-চিয়ে আনটাইড ফাণ্ড ৰি এল'কেট কৰিছে। কিন্তু ইয়াৰ কাৰণে মিটিং আহ্বান কৰা নাই। ডি-চিয়ে সম্পাদক হিচাবে ফাইলত এটা নোট দিছে আৰু তাৰ ওপৰত চেয়াৰম্যানে লিখি সেই মতেই ৰি এলকেশ্বন কৰিছে। অবশ্যে এইটো ঠিক যে এই টকা বিতৰণ কিছুমান সমষ্টিত কৰিছে। কিন্তু ডি-চিয়ে মইমতালি ভাবে এই ফাণ্ডৰ টকা ৰিএল'কেট কৰাৰ অধিকাৰ নাই আৰু যদি আইনত: নাই তেনেহলে চৰকাৰ বিৰোধী কাম কৰাৰ কাৰণে শাস্তি পাবৰ যোগ্য নহয়নে। এই ক্ষেত্ৰত মুখ্য-মন্ত্ৰীয়ে এটা স্পষ্ট কথা সদনত জনাব লাগে যাতে আনটাইড ফাণ্ডৰ ক্ষেত্ৰত এইটো নহয়।

* শ্ৰীগগকমল সন্দিকৈ: মাননীয় অধ্যক্ষ ডাঙৰীয়া, গোলাঘাটৰ সম্পৰ্কত যিটো দেখা পোৱা যায় সেইটোৰ সঠিক ভাবে নীতি নিৰ্দেশনা থকাটো নিতান্ত দৰকাৰ, নহলে এনে ধৰণৰ বহুতো খেলি-মেলি হব পাৰে। দ্বিতীয়তে ধুবুৰীৰ পৰা গোৱালপাৰালৈকে বহুতো ঠাইত এনে বিলাক দেখা গৈছে। মহকুমা পৰিকল্পনাৰ ক্ষেত্ৰত বৈষম্যমূলক আচৰণ কৰা হৈছে। বৈষম্যই বিদ্ৰোহ আনে। ক্ষুদ্ৰ কথাৰ পৰাই ডাঙৰ হয়। ফিৰিঙ্গতিৰ পৰাই খাণ্ডৱ দাহ হয়। সেই কাৰণে সৰু সৰু কথা বিলাকত সঠিক নীতি নিৰ্দেশনা মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা আমি আশা কৰিছো। এনে বৈষম্য শাসক দলৰ পৰা দুৰ্ব্বলেই হওক বা সবলেই হওক বিৰোধী দলৰ সদস্য নহওক বা শাসক দলৰ সদস্যই আনটাইড ফাণ্ডৰ ক্ষেত্ৰত কৰাটো ঠিক নহয়। ইয়াৰ কাৰণে সমানে ভাগ পাব লাগে। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীগিয়াচুদ্দিন আহমেদ: মাননীয় অধ্যক্ষ মহোদয়, স্পষ্টীকৰণৰ কাৰণে এটা কথা উত্থাপন কৰিব খুজিছো। যি অভিযোগ উত্থাপন কৰা হৈছে, এইটো দৃষ্টি আকৰ্ষণ প্ৰস্তাৱৰ জৰিয়তে আলোচনাৰ কালত গোটেই অসমতে এই অভি-যোগৰ কথা সত্য বুলি প্ৰমাণিত হৈছে। মই বিলসীপাৰা মহকুমাৰ পৰি-কল্পনা বৰ্ডৰ মিটিঙৰ বিষয়ে কব খুজিছো। ৰাইজৰ প্ৰতিনিধি হিচাবে মইও এজন সদস্য কিন্তু মোক নটিচখন এনে ভাবে দিছে যাতে মই নাপাও। ১৪ লাখ টকাৰ বিতৰণৰ কথা এই মিটিঙৰ লগত জৰিত আছিল। কিন্তু মই মিটিঙৰ

* Speech not corrected.

নটিচ নেপালো। বিধান সভাৰ অধিবেশনৰ কাৰণে বিধায়ক সকলক দুটা ঠিকনাত নটিচ দিয়া হয়। দিশপুৰৰ আৱাসত দিয়াৰ বাহিৰেও বিধায়কৰ সমষ্টিৰ ঘৰলৈও নটিচ দিয়া হয়। অৰ্থাৎ এঠাইত নেপালেও আন ঠাইত পাব। কিন্তু এই ক্ষেত্ৰত ডি, চি অফিচৰ পৰা মই দিশপুৰত থকাটো জানি লৈ নটিচখন মোৰ ঘৰৰ ঠিকনাত দিছে। সেই মতে মিটিং কৰি ১৪ লাখ টকা আনটাইড ফান্দৰ পৰা উলিয়াই লৈ টকাখিনি বিলাসীপাৰা পূৱ সমষ্টিৰ বিধায়ক ৰাজ্যিক মন্ত্ৰী মহোদয়ে লৈছে। অলপ অলপ অন্য কিছুতো দিছে। মিটিঙত টকাটো লৈছিল যদিও মই উপস্থিত নথকা কাৰণে ৰাজ্যিক মন্ত্ৰী মহোদয়ে পিছত ব্যক্তিগত ভাবে মোক কৈছে সিদিনাখন বাজেট অধি-বেশনৰ শেষৰ দিনা হোৱা টি পাৰ্টিত। জৰুৰী কামৰ কাৰণে টকাখিনি লৈছে আৰু পিছৰ বছৰত গোটেইখিনি আমাক দিব বুলি কৈছে। এনেকৈ আলোচনা কৰি কৰা হলে আপত্তি কৰিবলৈ নাই। কিয়নো মই বিলাসীপাৰা পূৱ সমষ্টিক এসময়ত প্ৰতিনিধিত্ব কৰিছিলো। সেই কাৰণে কথাটো মই গুৰুত্ব সহকাৰে লোৱা নাই। কিন্তু এই গোটেই কথাৰ ক্ষেত্ৰত এটা নীতি গত প্ৰশ্ন জৰিত হৈ আছে। দৈনন্দিন প্ৰশাসনীয় কাম-কাজ দলীয় ৰাজনীতিৰ ভিতৰত সোমালে অসুবিধা হয়, কিন্তু বৰ্ত্তমান এই প্ৰবনতাটো বেছিকৈ দেখা গৈছে। এই ৰাজ্য চৰকাৰৰ কাৰণে শুভ লক্ষণ নহয়। ইয়াৰ পৰিনতি বেয়া হবলৈ বাধ্য। অধ্যক্ষ মহোদয়, বিশেষকৈ ১৯৮৫ চনৰ আগত কংগ্ৰেছ চৰকাৰ আছিল। মাজতে দুটা বছৰ বেলেগ চৰকাৰ আছিল। কিন্তু এনেকুৱা কথা দেখা নাছিলো। কিন্তু ১৯৮৯ চনত যিটো বেমাৰ হ'ল এইটো ক্ৰনিক বেমাৰৰ দৰে হৈছে। প্ৰশাসনীয় কাম আৰু উন্নয়ন মুলক কাম কাজ সমূহত দলীয়া ৰাজনীতিক ভিতৰোৱা কৰাৰ প্ৰৱণতা বৰকৈ দেখা গৈছে। এইটো চলি থাকিবলৈ দিয়াটো উচিত নহ'ব। বন্ধ কৰিব লাগিব। প্ৰশাসন সদায় নিৰপেক্ষ হব লাগিব। যি দলেই শাসনত নেথাকক কিয় এ জে পিয়ে বা বি জে পিয়ে বা কংগ্ৰেছ আইয়ে হওক, যিবিলাক ৰাজনৈতিক সেই বিলাকে প্ৰশাসনীয় ক্ষেত্ৰত নিৰপেক্ষ হিচাবে কাম কৰিব লৈ সুবিধা পাব লাগিব। এই ক্ষেত্ৰত যি নীতি নিৰ্দেশনা আছে তাৰ কিছুমান ব্যতিক্ৰম হোৱাৰ কাৰণেই জন সাধাৰণ বিক্ষুদ্ধ হৈছে। ইয়াৰ পৰিনতি ভৱিষ্যতে ভয়াবহ হব পাৰে, ৰাজনৈতিক দলৰ একাধিপত্য আৰু একনায়ত্ববাদ চলি থাকিবলৈ দিলে ৰাজ্যৰ

অৱস্থা আৰু ভয়াবহ হৈ উঠিব পাৰে। সেই কাৰণে এই ডিক্টেটৰচীপ যাতে চলিব নোৱাৰে তাৰ প্ৰতি সকলোৱে সজাগ হৈ এতিয়াই ব্যৱস্থা লোৱা উচিত হব। গতিকে সময় থাকোতেই চৰকাৰে এই দিশত ব্যৱস্থা ললে প্ৰশাসনীয় কাম কাজৰ পৰা দলীয় ৰাজনীতিৰ হস্তক্ষেপ যাতে নহয় তাৰ ব্যৱস্থা ললে চৰকাৰ ধন্যবাদৰ পাত্ৰ হব আৰু চৰকাৰ ৰাইজৰ আনন্দৰ পাত্ৰ হব। ধন্যবাদ।

* Shri Golok Chandra Rajbangshi (Minister for Parl. Affairs) : Sir, I draw attention to Rule 54 of the Rules of Business and Conduct of Procedure in the Assam Legis lative Assembly.

মাননীয় অধ্যক্ষ : আপোনালোকে নোটিচখন চোৱা নাই নেকি তাত শ্ৰীপি, গগৈ দেৱৰ নাম আছে। এতিয়া মাননীয় মুখ্যমন্ত্ৰীয়ে উত্তৰ দিব।

* শ্ৰীযতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, মোৰ কথাখিনি শুনাৰ পিচত মুখ্যমন্ত্ৰী মহোদয়ে উত্তৰ দিয়া হলে ভাল আছিল।

(কেইবাজনো মাননীয় সদস্যই একেলগে কৰলৈ উঠাত কাৰো কথা লিপি-বদ্ধ কৰিব পৰা নগল)।

মাননীয় অধ্যক্ষ : এতিয়া মুখ্যমন্ত্ৰীয়ে উত্তৰ দিব।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈ ডাঙৰীয়াই এটা কথা কৈছে, তেখেতে গাইড লাইনৰ কথা কৈছে— মই এই ক্ষেত্ৰত কব বিচাৰো যে—

1. The scheme should be of local nature and visible one.
2. Feasibility aspect should be examined.
3. The Schemes should be remunerative and productive.
4. It should provide benefit to the people immediately.
5. The scheme should be small in nature, to be completed within a year.
6. Schemes should not entail recurring expenditure.

* Speech not corrected.

7. Schemes should be completed with the one time fund that will be provided.
8. Schemes need to reflect special problems of the Sub Division.
9. The Scheme must not duplicate existing sectoral schemes.

ইয়াত গোলাঘাটৰ কথাও আছে। ইয়াত ভালে কেইজন মাননীয় সদস্যই নিজৰ নিজৰ মহকুমাৰ কথা কৈছে। মোৰ বিশ্বাস প্লেনিং বোৰ্ডে এইবোৰ পৰীক্ষা কৰি চায়। তাত কিবা আসোঁৱাহ পালে সেইবোৰ ঘুৰাই পঠায়। লেণ্ড চাৰ্ভেত শিৱসাগৰত অনিয়ম হোৱা নাই বুলি শ্ৰীগগৈ ডাঙৰীয়াই কৈছে। ১৯৮৫ চনত গণ্ডলোলৰ কাৰণে প্ৰশাসনত খিছু লেপচ হৈছিল সেই কাৰণেই এইটো হৈছে। এতিয়া গোলাঘাটৰ সংক্ৰান্তত যদিও মাননীয় সদস্য কেইগৰাকী মানে কেইখনমান চাকুলাৰৰ কথা কৈছে সেইবোৰ এতিয়াও চাকু্লেট হোৱা নাই। প্লেনিং বোৰ্ডে এইবোৰ ঘুৰাই পঠাইছে। গাইড লাইন আৰু নীতি নিয়মৰ মাজেৰেই কাম কৰা হৈছে।

* দেৱান জয়নাল আবেদিন: মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় পঞ্চায়ত মন্ত্ৰী ডাঙৰীয়াই যোৱা ১০ তাৰিখে ধুবুৰীত এখন ডি, আৰ. ডি. এ মিটিং পাতিছিল কিন্তু আমি গৈ দেখিলো যে মিটিং কেনচেল কৰিছে। উক্ত বৈঠকত ২৯ লাখ টকা বিতৰণ কৰাৰ কথা আছিল। কিন্তু আমাৰ পঞ্চায়ত মন্ত্ৰী মহোদয়ে তেওঁৰ সমষ্টিৰ ভিতৰত থকা নতুনকৈ সৃষ্টি কৰা চিৰাজুলি নামৰ ব্লকটোত ৭ লাখ টকা অনুমোদন দিছে বুলি গম পাইছো আৰু বাকীবোৰক কোনো টকা পইচা দিয়া নাই। এই গভৰ্নিং বডিৰ বৈঠকতে আমাৰ আঁচনি বোৰৰ কথা আলোচনা কৰাৰ কথা আছিল। কিন্তু আমাৰ আঁচনিবোৰৰ কাৰণে টকা পইচা দিয়া নহল— এই কথাৰ সত্যা সত্য কি তাক মাননীয় মুখ্যমন্ত্ৰীৰ পৰা জানিব বিচাৰিছো। ধুবুৰী জিলাৰ চাৰ ডিভিজনেল প্লেনিং বোৰ্ডৰ বৈঠকৰো খবৰ মই পোৱা নাই। মেচেজ এনেকুৱা সময়ত পঠায় যে মই নেপাওঁ। অথচ তেতিয়া মই ধুবুৰীতে আছো। এই চিঠি সম্পৰ্কে আমাৰ কেৰাজনো মাননীয় সদস্যাই নোপোৱা বুলি অভিযোগ কৰিছে। চিঠিখন নোপোৱাৰ কাৰণে মই ধুবুৰীত থাকিও বৈঠকত যোগদান কৰিব নোৱাৰিলো। মই

* Speech not corrected.

নেথাকিলেও আমাৰ ডি, চি, ডি, চি মানে ডেপুটি কমিচনাৰ নহয়, ডিফিটেড কেণ্ডিটেডজন উক্ত বৈঠকত উপস্থিত আছিল আৰু মোৰ হৈ তেখেতেই ৰিপ্ৰেজেণ্ট কৰিলে।

মাননীয় অধ্যক্ষ : বিষয়টো আহিছে ৰুল ৫৪ৰ পৰা। বিষয়টোৰ ওপৰত যি কেইজনে চহী কৰে তেখেত সকলেহে কব পাৰে কিন্তু মই গিয়াছুউদ্দিন ডাঙৰীয়াক এইবিষয়ে কবলৈ দিছো। এই বিষয়টোৰ ওপৰত যথেষ্ট আলোচনা হৈছে। ক্লাৰিফিকেচনো দিয়া হৈছে।

এতিয়া ৪নং বিষয়ৰ ওপৰত আলোচনা হব।

(সদনত গণ্ডগোল, কেইবাজনো সদস্যই একেলগে কবলৈ ধৰে, তাৰ মাজতে শ্ৰম মন্ত্ৰী ডাঙৰীয়াইও কিবা পঢ়ি থাকে— কিন্তু কাৰো বক্তব্য লিপিবদ্ধ কৰিব পৰা নগল— )

## MATTER UNDER RULE 301

* শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মই ইয়াৰ আগতে যি কেইটা প্ৰশ্ন মাননীয় মুখ্যমন্ত্ৰীৰ পৰা উত্তৰ বিচাৰিছিলো তেখেতৰ পৰা উত্তৰ নেপালো এতিয়া ৪ নং বিষয়ৰ ওপৰত মই কব খুজিছো। যোৱা ১০ জুনৰ 'আজিৰ বাতৰি' কাকতত প্ৰকাশিত 'ডুমডুমাত চাহ কোম্পানীৰ খলুৱা স্বাৰ্থ বিৰোধী ষড়যন্ত্ৰ বুলি এটা বাতৰি প্ৰকাশ পাইছে। এই সম্পৰ্কত মই মাননীয় মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। অসমত যিমান চাহ কোম্পানী আছে এই সকলোবোৰৰ মুখ্য কাৰ্য্যালয় অসমলৈ আনিব বুলি কংগ্ৰেছ (আই) দলৰ নিৰ্বাচনী ইস্তাহাৰত উল্লেখ আছিল। কিন্তু এতিয়া দেখা গ'ল কংগ্ৰেছ চৰকাৰ কেন্দ্ৰটো আছে আৰু ৰাজ্যতো আছে। গতিকে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে ইচ্ছা কৰিলে এই চাহ কোম্পানীবোৰৰ, যিবোৰৰ উৎপাদন অপাৰেচন অসমত হয় কিন্তু তেওঁলোকৰ ৰেজিষ্টাৰ্ড বা পঞ্জিভুক্ত প্ৰধান কাৰ্য্যালয় অসমৰ বাহিৰত আছে সেই পঞ্জিভুক্ত হেড অফিচ সমূহ অসমলৈ আনিব পাৰে। আজি আমি দেখিবলৈ পাইছো যে কিছুমান চাহ কোম্পানীয়ে অসমৰ মানুহৰ স্বাৰ্থৰ বিৰোধী কেতবোৰ কাম কৰি আছে। ইয়াৰ ভিতৰত ডুমডুমাতে ১০ খনমান

* Speech not corrected.

বাগিছা আছে। ডুমডুমা এটা বহু ৰাষ্ট্ৰীয় চাহ কোম্পানী। আমি সকলোৱেই জানো এই চাহ কোম্পানীৰ মালিক সকলে অসম চৰকাৰক 'ডিফাই' কৰি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি, সামৰিক বাহিনীৰ হেলিকপ্টাৰৰ দ্বাৰা তেওঁলোকৰ কৰ্ম্মচাৰীবোৰক লৈ গৈ এনে এটা পৰিস্থিতিৰ সৃষ্টি কৰিছিল যে অসমত কোনো ধৰণৰ ব্যৱসায় কৰাৰ পৰিবেশ নাই। ইয়াৰ পিছত দেখা গ'ল চৰকাৰ গঠন হোৱাৰ পিচত ৰাজ্য চৰকাৰে ৰাজ্যখনলৈ শান্তি ঘূৰাই আনিছো বুলি জাহিৰ কৰিলে। এতিয়া শান্তি ঘূৰি অহাৰ পিচতো এই চাহ কোম্পানীবোৰে তেওঁলোকৰ স্বাৰ্থপূৰণ কৰিবৰ কাৰণে অসমলৈ বাহিৰৰ পৰা মানুহ আনি আছে। আপুনি শুনিছে যে এই কোম্পানীবোৰে আজি কিছুদিনৰ আগতে কলিকতাৰ পৰা মানুহ আনি 'গেষ্ট হাউচত' ৰাখিছে আৰু ছাত্ৰী সোমাব নোৱাৰা ওৱাল দিয়াৰ কামত লগাইছে। ওৱাল দিয়াৰ কাৰণে অসমত লেবাৰ নাছিলনেকি ? ইয়াৰে কোনোৰা এখন বাগিছাত ডাঃ এল, কে সন্দিকৈ নামৰ ১৮ বছৰৰ অভিজ্ঞতা থকা আৰু ইউ, কে, নে ইউ এচ এ ৰ পৰা আনি মুখ্য স্বাস্থ্য বিষয়া হিচাবে নিযুক্তি দিছিল। তেখেত এজন অভিজ্ঞ চিকিৎসক আছিল। কিন্তু আচৰিত কথা যে মাত্ৰ ২ মাহৰ পিচতেই তেখেতৰ চাকৰিটো 'এবলিচ' কৰা হ'ল আৰু তেখেতক চাকৰিৰ পৰা খেদাই দিয়া হ'ল।

এতিয়া এইটো কথা নহয়, ইয়াৰে কেইটামান উদাহৰণ দাঙি ধৰিব বিচাৰিছো। এই কোম্পানীটোত এজন বিষয়াক তথা পৰ্য্যায়ক্ৰমে বাধ্যতামূলক ভাৱে চাকৰিৰ পৰা অব্যাহতি দিবলৈ লৈছে। ডুমডুমা চাহ কোম্পানীত ১৯৭৬ চনতে অধীক্ষক পদ এটি খালি হৈছিল। উপ-অধিক্ষক পদৰ পৰা এই পদটো ফিলআপ কৰিব লাগে। সেই পদটোত টি, কে, বৰা নামৰ এজনক পদোন্নতি দিব লাগে। তাকে নকৰি উদ্দেশ্য প্ৰণোদিত ভাবে মহাবীৰ সিং নামৰ এজনক উক্ত পদত নিযুক্তি দিয়ে। সেইদৰে ১৯৮৬ চনত দিপক সিং নামৰ এজনক নিযুক্তি দিয়ে। তাত অসমীয়া বিষয়া থকা স্বত্বেও নিযুক্তি নিদি দিপক সিংক নিযুক্তি দিছে। সেই দীপক সিং নামৰ কৰ্মচাৰী জনে কি কৰিছে। তলৰ পৰা ওপৰলৈ যিবিলাক পদ খালী হব যিবিলাকৰ পদোন্নতি হব তাত অসমীয়া মানুহৰ কোনো পদোন্নতি নহব। অসমীয়া বিষয়াক পদোন্নতি নিদিয়াটো এটা ষড়যন্ত্ৰ কৰিছে। প্ৰশ্ন হল প্ৰাইভেট কোম্পানী হলেও অসমত তেওঁলোক অসমৰ স্বাৰ্থৰ বিৰুদ্ধে কাম কৰি আছে। আমি এইবিলাক আজি হস্তক্ষেপ কৰিব পাৰোনে নোৱাৰো। ডুমডুমা কোম্পানী ডাঃ এল, কে, সন্দিকৈক অব্যাহতি

দিয়াৰ উদাহৰণ আছে। তেনেকৈ হৰিহৰ দাসকো অব্যাহতি দিছে। সেয়েহে আমি কৈছো যে অসমৰ স্বাৰ্থৰ বিৰুদ্ধে কোনোবাই কাম কৰিলে তেওঁলোকৰ বিৰুদ্ধে হস্তক্ষেপ কৰিব লাগিব। যদিহে হস্তক্ষেপ নকৰে তেতিয়াহলে আমি জানিম যে চৰকাৰ ইয়াত প্ৰকান্তৰে বা প্ৰকাশ্যে ইয়াৰ লগত জড়িত আছে। যদিহে জড়িত নাই তেতিয়াহলে ১৮ বছৰ কাম কৰি থকা চিকিৎসক বিষয়াক কিয় অব্যাহতি দিয়া হল। সেইদৰে কলিকতাৰ পৰা উৰা জাহাজেৰে কিয় শ্ৰমিক আনিব লগীয়া হ'ল? যদিহে এতিয়াই আমি এইখিনি হস্তক্ষেপ নকৰো তেতিয়াহলে পিছত কণ্ট্ৰল কৰা সম্ভৱ নহব। ইতিমধ্যে এইটো কথা ওলায় পৰিছে। অসমখন আজি হাতৰ পুতলা হৈ পৰিছে। যদিহে হাতৰ পুতলা হৈ পৰিছে তেতিয়াহলে হস্তক্ষেপ নকৰে কিয়?

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসম বিধান সভাৰ এমপ্লইমেণ্ট ৰিভিউ কমিটি আছে এই কমিটিৰ দ্বাৰা কিমান অসমীয়া মানুহক নিযুক্তি দিছে। আজি চৰকাৰক নজনোৱাকৈয়ে চাহ কোম্পানীৰ পৰা অসমীয়া চিকিৎসকক অব্যাহতি দিছে। তেওঁলোকে পৰ্য্যায়ক্ৰমে পৰিকল্পিত ভাৱে অসমীয়া মানুহক চাকৰিৰ পৰা আতৰোৱাৰ ব্যৱস্থা কৰি আছে। আজি চৰকাৰে প্ৰমাণ কৰক যে তেওঁলোক জনকল্যাণ মূলক চৰকাৰ, ৰাইজৰ নিমিত্তে, অসমীয়া মানুহৰ নিমিত্তে কাম কৰিব বিচাৰিছে। যদি কৰিছে চাহ কোম্পানী বিলাকৰ ষড়যন্ত্ৰ প্ৰতিহত কৰিব লাগিব যদি প্ৰতিহত কৰে তেতিয়াহলে বিৰোধী পক্ষত বহিও আমি যি কৰিব লাগে সেইখিনি সহায় কৰি দিম। কিন্তু আপোনালোকৰ উদ্দেশ্য সৎ হব লাগিব।

অসমীয়া মানুহ জীয়াই থাকিলেহে অসম থাকিব। যদি কোনোবাই নিজৰ স্বাৰ্থৰ কাৰণে কাম কৰি থাকে তেতিয়াহলে মনত ৰাখিব লাগিব অদূৰ ভবিষ্যতে আমি তাক নিয়ন্ত্ৰণ কৰিব নোৱাৰিম। নিয়ন্ত্ৰণৰ বাহিৰলৈ গুচি যাব। অসমৰ স্বাৰ্থৰ বিৰোদ্ধে যিবিলাক কাৰ্য্য কলাপ চলি আছে তাক প্ৰতিৰোধ কৰিব পৰা নাই আৰু তাৰ কি ব্যৱস্থা লয় তাক জানিব বিচাৰিছো।

* শ্ৰীদীলেশ্বৰ তাতী: মাননীয় অধ্যক্ষ মহোদয়, আমাৰ শৰ্ম্মা ডাঙৰীয়াই 'আজিৰ বাতৰি' কাকতত প্ৰকাশিত 'ডুমডুমা চাহ কোম্পানীৰ থলুৱা স্বাৰ্থ বিৰোধী ষড়যন্ত্ৰ' শীষক বাতৰিটোৰ বহুতো কথাই কৈছে। কোম্পানী

* Speech not corrected.

আৰু মেনেজমেণ্টৰ কথা। তেখেতে ইনদাচষ্টী বিভাগৰ লগত বা মুখ্যমন্ত্ৰী মহোদয়ক কথাটো কোৱাহলে উত্তৰটো পালেহেতেন। মই মাত্ৰ শ্ৰমিক বিভাগৰ ওপৰতহে ইয়াৰ উত্তৰ দিব বিচাৰিছো।

বিবৃতি ইয়াৰ লগত গাঠি দিয়া হল।

আজি ইং ১৫ জুন তাৰিখে অসম বিধান সভাত "ডুমডুমা চাহ কোম্পানীৰ থলুৱা স্বাৰ্থবিৰোধী ষড়যন্ত্ৰ "শীৰ্ষক বাতৰি সন্দৰ্ভত শ্ৰম মন্ত্ৰী শ্ৰীদিলেশ্বৰ তাঁতীৰ লিখিত বিবৃতি—

১০।৬।৯২ তাৰিখৰ 'আজিৰ বাতৰি' কাকতখনত প্ৰকাশিত 'ডুমডুমা' চাহ কোম্পানীৰ থলুৱা স্বাৰ্থবিৰোধী ষড়যন্ত্ৰ' শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ মনোযোগ আকৰ্ষিত হৈছে।

এই শীৰ্ষক বাতৰিটোত কোম্পানীটোৱে চাহ শ্ৰমিক আইনখন আজি-কোপতি কাৰ্য্যকৰী কৰা নাই বুলি কৰা অভিযোগটো সঁচা নহয়। কোম্পানীটোৱে শ্ৰমিক সকলৰ মজুৰিৰ ক্ষেত্ৰতো সম্পূৰ্ণৰূপে পিঠি দিছে বুলি কৰা অভি-যোগটো সত্য নহয় কিয়নো, সংমণ্ডল ভিত্তিত সময়ে সময়ে দ্বিপাক্ষিক চুক্তিৰ জৰিয়তে স্থায়ী চাহ শ্ৰমিকৰ মজুৰি নিৰ্দ্ধাৰণ কৰা হয়। চুক্তি মৰ্মে মালিক পক্ষই এই মজুৰি শ্ৰমিক সকলক দি আহিছে।

বাতৰিটোৰ দ্বিতীয় অনুচ্ছেদত উল্লেখ কৰা অভিযোগ সমূহ শ্ৰম বিভাগৰ বিচাৰ্য্য বিষয় নহয়।

বাতৰিটোৰ তৃতীয়, চতুৰ্থ আৰু পঞ্চম অনুচ্ছেদত উল্লেখ কৰা অভিযোগ সমূহত যিসকল ব্যক্তিৰ নাম সন্নিবিষ্ট কৰা হৈছে সেই সকল লোকৰ চাকৰিত নিয়োগ আৰু অপসাৰণৰ বিষয়টো ১৯৪৭ চনৰ ঔদ্যোগিক বিবাদ আইনৰ গণ্ডীত নপৰে। গতিকে, এই সম্পৰ্কে এই বিভাগৰ কৰণীয় একো নাই। চাহ বাগিছা চিকিৎসালয়ত খালী হৈ পৰি থকা পদসমূহ যেনে, ৰেডিঅ' গ্ৰাফাৰ, নাৰ্চ আৰু ফাৰ্মাচিষ্টৰ বিষয়টো অনুসন্ধান কৰি যথোচিত ব্যৱস্থা ল'বলৈ নিৰ্দ্দেশ দিয়া হ'ব।

দীৰ্ঘদিন কাম কৰাৰ পিছতো আধাতকৈ অধিক শ্ৰমিকক অস্থায়ী কৰি ৰাখিছে বুলি বাতৰিটোৰ অন্তিম অনুচ্ছেদত উত্থাপিত অভিযোগ সম্পৰ্কত উল্লেখ কৰিব পাৰি যে, এই কোম্পানীটোৰ সাতখন চাহ বাগিচাত স্থায়ী আৰু

অস্থায়ী শ্ৰমিকৰ নিয়োগ স্থিতি মুঠতে এনেধৰণৰ—

স্থায়ী চাহ শ্ৰমিক— ৪,৪৪৭ জন আৰু

অস্থায়ী চাহ শ্ৰমিক— ২,৬২২ জন।

চৰকাৰে দিন হাজিৰা কৰা অদক্ষ চাহ শ্ৰমিকৰ (daily rated unskilled labour) বাবে ইতিমধ্যে ন্যুনতম মজুৰি বান্ধি দিছে। গতিকে, কোম্পানীটোৱে মজুৰিৰ ক্ষেত্ৰত বৈষম্যমুলক নীতি অৱলম্বন কৰিছে বুলি অনা এনে ধৰণৰ অভিযোগ আমাৰ দৃষ্টিগোচৰ হোৱা নাই। অস্থায়ী চাহ শ্ৰমিক সকলক স্থায়ী কৰণৰ বাবে আইনগত ব্যৱস্থা নাই যদিও সময়ে সময়ে দ্বিপাক্ষিক বা ত্ৰিপাক্ষিক আলোচনাৰ মাধ্যমেৰে এই সমস্যাটো সমাধানৰ বাবে সক্ৰিয় ভাবে প্ৰচেষ্টা চলি আহিছে। এইখিনিতে উল্লেখ কৰা উচিত হব যে, চাহ বাগিচাত কাম কৰি থকা কালডোখৰত, অস্থায়ী চাহ শ্ৰমিক সকলেও ৰছদ জাতীয় বস্তু আৰু চিকিৎসাৰ সা-সুবিধা পোৱাৰ ব্যৱস্থা আছে।

এই ক্ষেত্ৰত শ্ৰমিকৰ প্ৰতি বৈষম্যমুলক নীতি গ্ৰহণ কৰা হৈছে বুলি আজি কিছু কথা উত্থাপিত হৈছে। অৱশ্যে এনে ধৰণৰ বৈষম্য ডুমডুমা টি কোম্পানীত কিছু আগৰ পৰাই ঘটি আছিল। ইয়াৰ কাৰণে সেই কোম্পানী যি ধৰণে দায়ী ঠিক তেনে ধৰণে তাত কাম কৰি থকা কিছু বিষয়াকো দায়ী বুলি গণ্য কৰিব পাৰি। কিছু দিন আগতে শ্যাম প্ৰসাদ মেধি নামৰ এজন ওৱেলফেয়াৰ অফিচাৰ তাত নিয়োগ কৰা হৈছিল আৰু তেওঁলোকৰ দিনতে বিছুমান বাগানৰ ডিভিজন ভাঙি দুই এটা ডিভিজন লগ লগায় এটা ডিভিজন কৰা হৈছিল আৰু কিছুমান হস্পিটেল কৰা হৈছিল। তাৰ পিচতে পি, ডি, বৰুৱাক পাৰ্চনেল মেনেজাৰ কৰা হৈছিল আৰু তেখেত সকলৰ দিনত ডুমডুমা বা অন্যান্য চাহ বাগিচাৰ ক্ষেত্ৰত প্ৰতি একৰ চাহ বাগিচাৰ কাৰণে একোজনকৈ চাহ শ্ৰমিক হব লাগে বুলি নিৰ্দ্ধাৰণ কৰা হৈছিল। কিন্তু ডুমডুমা টি কোম্পানীত প্ৰতি দুই একৰ চাহ বাগিচাতহে একোজনকৈ শ্ৰমিক আছিল। গতিকে এনেবোৰ কাম যে কেৱল আজিয়েই হৈছে বা আইনবোৰ এতিয়ালৈ ভঙ্গ কৰা হৈছে তেনে নহয়। পি, ডি, বৰুৱা আগতে এ, অ, চিত কাম কৰিছিল আৰু এটা সময়ত তেখেতে এ, জি, পি, ৰ প্ৰাৰ্থীও আছিল। গতিকে সেইবোৰ বহুত কথা। ডুমডুমা টি কোম্পানীত আজিও অসমীয়া মানুহৰে সংখ্যা বেছি আছে।

গতিকে এই আটাইবোৰ কথা আমি নিয়োগ পৰ্য্যালোচনা সমিতিত তদন্ত কৰি চাব লাগিব ।

* শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো মই মুখ্য-মন্ত্ৰীলৈহে লিখিছিলো। কিন্তু কেনেকৈ এইটো শ্ৰম বিভাগলৈ আহিল সেইটো নাজানো। ডাঃ সন্দিকৈক আজিৰ দিনটোতে খেদিছে। যোৱা ৰাতিটোৰ ভিতৰতে টেলিফোনত কথা বতৰা হৈ কিবা যোগাযোগ কৰিছে নেকি সেইটো নাজানো। এতিয়া দুৱৰা কোন সেইটো আমাৰ আলোচনাৰ বিষয় নহয়। মূল কথাটো হৈছে এই কোম্পানীটোৱে অসমীয়াৰ স্বাৰ্থ বিৰোধী কাম কৰিছে। শ্ৰমিকৰ বিৰুদ্ধে কাম কৰিছে। এতিয়া প্ৰতি একৰ চাহ বাগিচাত আইনগত ভাৱে যিমান শ্ৰমিক থাকিব লাগে সিমান নাই। সেই কাৰণে এই বিষয়টোৰ ক্ষেত্ৰত মই এটা কথা কব খুজিছো যে যিহেতু এই চৰকাৰ খন বা এমপ্লইমেণ্ট ৰিভিউ কমিটিখন এই টি কোম্পানীবোৰৰ হাতৰ পুতলা নহয়, সেইকাৰণে এই বিষয়টো পৰ্য্যালোচনা কৰি চাবলৈ দিয়া হওক। এই কোম্পানীটোৱে অসমীয়া বিৰোধী কাম কৰিবলৈ লৈছে। বিশেষকৈ ডাঃ সন্দিকৈ ১৮ বছৰ চিকিৎসাৰ কাম কৰাৰ পিচতো তেওঁক কামৰ পৰা বৰখাস্ত কৰা হৈছে আৰু তেওঁৰ সেই পদটো এবলিচ কৰা হৈছে। গতিকে এই বিষয়টো বিচাৰ কৰি চাব বুলি মই অনুৰোধ জনালো।

* শ্ৰীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে আজি যিখিনি কথা কৈছে তাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছো। আজি আমাৰ চাহ বাগিচাবোৰ ৰি-অৰ্গেনাইজ কৰা কাৰণে শ্ৰমিকৰ সংখ্যা কমি আহিছে। এই ক্ষেত্ৰত কিমান মাটিৰ চাহ বাগিচাত কিমান শ্ৰমিক লৰ লাগিৰ সেই সম্পৰ্কত কিছু খেলি-মেলি আছে। কিছুমান চাহ বাগিচাৰ ক্ষেত্ৰত একৰে প্ৰতি আঢ়ৈ জন আৰু কিছুমান চাহ বাগিচাৰ ক্ষেত্ৰত একৰে প্ৰতি ১'৭ জন শ্ৰমিক নিয়োগ কৰিব লাগে বুলি কোৱা হৈছে যদিও তেওঁলোকে সেইটো পালন কৰা নাই। আনহাতে যন্ত্ৰ-পাতি, ঔষধ আদি উদ্ভাৱন হোৱাৰ ফলতো শ্ৰমিকৰ সংখ্যা কমি আহিছে। আমি যদি ১৯৬৯ চনৰ হিচাবৰ ওপৰত বেচ কৰি চাওঁ তেনেহলে দেখিবলৈ পাওঁ যে প্ৰতিখন বাগানতে স্থায়ী শ্ৰমিকৰ সংখ্যা কমিছে। সেই কাৰণে অসম চৰকাৰে এটা নিৰ্দিষ্ট সংখ্যক শ্ৰমিক নিয়োগ কৰাৰ কাৰণে এখন আইন পাছ কৰিব

* Speech not corrected.

নোৱাৰে নেকি ? এইটো কৰিলে আমি এই শ্ৰমিক সকলক নিৰাপত্তা দিব পাৰিম। গতিকে এই সম্পৰ্কত এখন আইন প্ৰণয়ন কৰিব পাৰি নেকি সেই বিষয়ে আলোচনা কৰিবলৈ সুবিধা দিব নেকি ?

* শ্ৰীদিলেশ্বৰ তাঁতী (শ্ৰম-মন্ত্ৰী) : অধ্যক্ষ মহোদয়, প্ৰতি একৰ মাটিৰ চাহ বাগিচাত কিমান শ্ৰমিক হব লাগিব তেনে ধৰণৰ কোনো আইনগত কথা নাই। অৱশ্যে তেনে কিবা কৰিব পাৰিনেকি সেই বিষয়ে আমি আলোচনা বিলোচনা কৰি আছো। এই ক্ষেত্ৰত হাইকোৰ্টৰ এটা ৰুলিং থকা কাৰণে বিষয়টোত সিদ্ধান্ত লোৱাত কিছু অসুবিধা হৈছে। তথাপি এইটো পৰীক্ষা কৰি থকা হৈছে। শ্ৰীশৰ্মা ডাঙৰীয়াই এই বিষয়টো এমপ্লইমেণ্ট ৰিভিউ কমিটিত আলোচনা কৰাৰ বাবে যিটো পৰামৰ্শ আগবঢ়াইছে সেই ক্ষেত্ৰত মই ভাবো ইয়াৰ কাৰণে অধ্যক্ষ মহোদয়ৰ নিৰ্দেশ নালাগে। এইটো যিহেতু আমাৰে কমিটি গতিকে তাৰ চেয়াৰমেন আৰু সদস্য সকলে বিষয়টো কমিটিত আলোচনা কৰিব পাৰে।

Shri Zoii Nath Sarma : Mr. Speaker Sir, The matter may be referred to the Employment Review Committee.

Mr. Speaker . This will be referred to the Employment Review Committee. The House stands adjourned for half an hour for the BAC members to attend for a discussion immediately in my Chamber

(Half an hour recess at 10.55 a.m.)

The House assembled at 12-20 p.m. after adjournment for half an hour with the Honourable Speaker in the Chair.

Mr. Speaker : Under Rule 230 of the Rules Procedure and Conduct of Business in Assam Legislative Assembly. I called a meeting of the Business Advisory Committee to-day at 11-50 A.M. in my office Chamber at Dispur

* Speech not corrected.

to consider about the extension of the sittings of the current session and also to discuss about the rational allotment of time among different Political Parties/Groups on the No-Confidence motion admitted by the House to-day. The Committee decided that the House will sit on 16th June, 1992 at 9-30 a.m. to 1-30 p-m- and from 3-30 p.m. to 5-30 p.m. for discussion on the No-Confidence Motion. The total time will be available for discussion on the said motion will be about 6 hours and the Committee recomended that the total time that will be available should be distributed to different Political Parties, Groups an Independent Members as follows—

Congress (I)............3 Hours including the reply of the Chief Minister.

| | | |
|---|---|---|
| AGP | ........ | 1 hour 18 minutes. |
| BJP | ........ | 30 minutes, |
| NAGP | ........ | 15 minutes. |
| ASDC | ........ | 12 minutes. |
| CPI | ........ | 12 minutes. |
| CPI (M) | ........ | 6 minutes. |
| Janata Dal | ........ | 3 minutes. |
| Independents | ........ | 1 minutes. |

No other business of any kind will be taken up except the announcement, if any, by the chair on the request of the BAC.

A Dinner will de arranged at 8 p.m. to-morrow at the Addl. Assembly Hostel. All members of the House, including the members of the Press are requested to attend the same.

With a heavy, heart........... two minites silence.

(two minutes of mourning was observed by all present in the house )

(Copy of obituary references enclosed at A and B.

Any other member of the House can express their condolences against anyone whom they want to raise in the House.

Shri Golok Chandra Rajbanshi (Minister, PWD) Sir, Shri Sachin Choudhury who was an MP from West Bengal, I want to condole his death.

## OBITUARY REFERENCE

Mr. Speaker : With a heavy heart, I rise to condole the death of the following personalities in this August House.

1. SHRI MOTILAL NAYAK an Ex-Member of the Assam Legislative Assembly was born at Barpeta Town in October, 1933. He was elected in 1967 to Assam Legislative Assembly as an independent Member and later he joined in Congress-I. He was an active social worker and associated with many social and cultural organisations. He was Chairman of Assam Scheduled Castes and Scheduled Tribes Welfare Association. He was also a Municipal Commissioner, Barpeta Municipal Board in 1964. He married Smti. Annaprava Nayak.

Shri Nayak died prematurely at Barpeta on 12th April, 1992 on a cardiac arrest at the age of 48 years.

In his death, we have lost a social worker and a political leader.

2. SHRI SATYAJIT RAY was the master of Indian Cinema and was one of the pioneers of the Film Industry in India. Born in Calcutta, West-Bengal, Shri Ray was imbibed with the idea of art and culture of Viswa Bharati University founded by Gurudev Rabindra Nath Tagore.

His film enthralled audiences all over the world for the past four decades. He made his mark with his very first film (Pather Panchali) and was admired by the world cine-critic.

He got the prestigious international award 'OSCAR' this year for his rich cultural contribution towards Indian Cinema aud this award showered for his life time achievments from academy of Motion Pictures. He was also awarded 'BHARAT RATNA' and was showered with a number of honours and numerous prizes. He was also awarded Srimanta Sankardev Bota from Assam. With rare personalities and extra ordinory Shri Ray brerthed his last in Calcutta on 23rd April, 1992 at the age of 71 years after a prolonged illness.

He left behind his only son and wife. In his death, Country has not only lost the top-most Director and Jurist of film Industries but also an artist of rare personality.

3. SHRI YASH was a veteran Congress-I leader and M.P. from Punjab. He was also a Cabinet Minister in the Ministry of Jail Singh Ministery in Punjab.

He was elected as M.P. for the first time in the last election with massive public support. He was also the editor of the News Paper 'Silap' published from Jalandhar.

Shri Yash died on 3rd June, 1992 at the age of 73 due to heart attack. In his death, Country has lost a political leader, Journalist and a Statesment.

4. SHRI A.G. KULKARNI was an eminent Parliamentarian and a Vetern Congress-I leader. Being a Member of Rajya Sabha since 1967 from Maharashtra, Shri Kulkarni was instrumental in starting several Co-operative organisations in Western Maharashtra.

Shri Kulkarni had begun his careerr as a sosial worker. However, he was soon involved with the Co-operative organisations holding the post of President, Chairman and Vice Chairman.

He was a deligate to the United Nations Environment Conference in Sweden and also attended International Co-operative leaders meet in Japan.

He was nominated to the panel of Vice-Chairman of Upper House for the year 1978 to 1982. Shri Kulkarni died on 27th April, 1992 at the age of 75 years. He left behind him five sons and a daughter.

In his death, country has not only lost one of the front ranking Parliamentarian but also a prominent Congress-I leader.

As a mark of respect to the departed soul, I request the Honourable Members to rise in their seats to observe two minutes silence.

অহা (ইং ১৬-৬-৯২ তাৰিখে ৰাতিপুৱা ৯-৩০ বজালৈ সদন স্থগিত ৰখা হয় )

## ADJOURNMENT

The House then stood adjourned at 12-25 P.M. till 9-30 A.M. to-morrow the 16th June, 1992.

Dated Dispur the
15th June, 1992

S. N. Deka
Secretary
Assam Legislative Assembly.